Content includes AI-generated material

## বিজেপি চৰকাৰক লুৰীণজ্যোতিৰ সকীয়নি



বিতং বাতৰি ১১ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MARCH 20, 2025 ■ বৃহস্পতিবাৰ, ৬ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮২ Guwahati, Assam ।। মূল্যঃ এটকা

### যোগীৰাজ্যত চাঞ্চল্য!

## স্বামীক হত্যা কৰি টুকুৰা-টুকুৰ কৰিলে মৃতদেহ

লক্ষ্ণৌ, ১৯ মাৰ্চঃ বিবাহ বহিৰ্ভূত প্ৰেমৰ বাবেই কন্যাৰ জন্মদিন বুলি ঘৰলৈ অহা স্বামীক ৯ পৃষ্ঠাত চাওক

## থলগিৰিৰ চোতালত বিহাৰ দিৱস পালনৰ মৰসাহ নকৰিব!

### বিধায়ক সুৰেন-সঞ্জয়ক স্পষ্ট বাৰ্তা আলফা স্বাধীনৰ

**পৰিণাম ভয়ংকৰ হ'ব বুলি সকীয়নি**



ই-সংবাদ, ১৯ মাৰ্চঃ বিজেপি নেতা তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণ, প্ৰাক্তন আছু নেতা তথা বিজেপি শেষাংশ ১০ পৃষ্ঠাত

## কাৰাগাৰৰ পৰা পলাল কয়দী হজৰত আলী

ই-সংবাদ, কোকৰাঝাৰ, ১৯ মাৰ্চঃ কোকৰাঝাৰ জিলা কাৰাগাৰ ৫ পৃষ্ঠাত চাওক

**৯ মহীয়া ‘মহাকাশবাস’ৰ অন্ত, প্ৰতিদিনে চাৰিবাৰ সূৰ্যোদয়-সূৰ্যাস্তৰ দৃশ্য!**

# অৱশেষত ধৰাৰ বুকুলৈ ঘূৰি আহিল সুনীতা

### সুনীতাৰ প্ৰত্যাৱৰ্তন, আঁৰৰ অসমীয়াগৰাকী



বিতং বাতৰি ৪ পৃষ্ঠাত

■ ৩.২৭ বজাত ফ্ল'ৰিডাৰ উপকূলত সুকলমে অৱতৰণ মাস্কৰ ড্ৰেগন কেপচুল

ফ্ল'ৰিডা, ১৯ মাৰ্চঃ দীঘলীয়া অপেক্ষা অন্ত! অসীম শূন্যতাত ৯ মাহ যাপনৰ অন্তত অৱশেষত পৃথিৱীত ভৰি দিলে ভাৰতীয় মূলৰ নাছাৰ মহাকাশচাৰী ১০ পৃষ্ঠাত চাওক



পৃথিৱীলৈ স্বাগতম সুনীয়া উইলিয়ামছ...

## বিহাৰ দিৱস বাতিলৰ ঘোষণা বিজেপিৰ

ই-সংবাদ, ১৯ মাৰ্চঃ ২২ মাৰ্চত বিজেপি দলে তিনিচুকীয়াত বিহাৰ দিৱস ৩ পৃষ্ঠাত চাওক

## মহানগৰীত নাটকীয় অপহৰণ

ই-সংবাদ, ১৯ মাৰ্চঃ গুৱাহাটীত সংঘটিত এক নাটকীয় অপহৰণ কাণ্ডই তীব্ৰ চাঞ্চল্যৰ ২ পৃষ্ঠাত

## ‘হিন্দীভাষীৰ স্বাৰ্থত অসমত বিহাৰ দিৱস’

ই-সংবাদ, ১৯ মাৰ্চঃ অসমত বিহাৰ দিৱস আয়োজনৰ বিৰোধিতা কৰে ৫ পৃষ্ঠাত চাওক

### বিএফআইত ব্যাপক দুৰ্নীতি

## মহাসচিব হেমন্ত কলিতাক নিলম্বন



ই-সংবাদ, ১৯ মাৰ্চঃ বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ চমুকৈ বিএফআইৰ মহাসচিব হেমন্ত কলিতা আৰু কোষাধ্যক্ষ দিগ্বিজয় সিংক ৯ পৃষ্ঠাত চাওক

## আমেৰিকাৰ দৰে হ'ব অসমৰ পথ, সাৰ প্ৰকল্পক ১০ হাজাৰ কোটি

ই-সংবাদ, ১৯ মাৰ্চঃ কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাজ্যসভাত ঘোষণা কৰে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪ পৃষ্ঠাত চাওক

## অবৈধ হিন্দুক সন্তুষ্ট কৰিবলৈ বাংলাদেশৰ মুক্তি দিৱসো পালন কৰিব বিজেপিয়েঃ উৎপল

ই-সংবাদ, ১৯ মাৰ্চঃ আছুৰ সভাপতি উৎপল শৰ্মাই ৰাজ্য চৰকাৰে বিহাৰ দিৱস পালনৰ বিষয়টোক লৈ বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ শেষাংশ ৯ পৃষ্ঠাত



## ২.৪১ কোটি ভোটাৰৰ ১.৩০ কোটিয়েই হিতাধিকাৰী অসমত

## হিমন্ত বিশ্বৰ দিনত ৩৭০ কোটি টকা খৰছ বিজ্ঞাপনৰ নামত!

ই-সংবাদ, ১৯ মাৰ্চঃ গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুন বৰাই আজি এখন সংবাদমেল সম্বোধন কৰি হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ শেষাংশ ৪ পৃষ্ঠাত

**৩.৮৮ লক্ষক গৃহ অনুমোদন পত্ৰ বিতৰণ**

## ঘৰ দি মোদীৰ বাবে আশীৰ্বাদ বিচাৰিলে হিমন্তই

ই-সংবাদ, মিৰ্জা, ১৯ মাৰ্চঃ গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ ৰামপুৰ হাইস্কুল ৫ পৃষ্ঠাত



### এনডিএত বিভাজন!

## মহবুবুলক লৈ মতবিৰোধ দুই মিত্ৰদলৰ

ই-সংবাদ, ১৯ মাৰ্চঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বাৰে বাৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত নাটকীয় অপহৰণ

সৃষ্টি কৰিছে। মৰিগাঁৱৰ ইক্ৰামুল হুছেইন চৌধুৰী গুৱাহাটীত অপহৰণৰ বলি হোৱা বুলি পত্নীয়ে দিছপুৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰিছিল। দিছপুৰ আৰক্ষীয়ে তিনিজন ব্যক্তিক আটক কৰি অপহৰণ কাণ্ডত ব্যৱহৃত দুখন বাহন জব্দ কৰে। সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি অপহৃত চৌধুৰীয়ে দাবী কৰে যে মঙলবাৰে সন্ধিয়া ৬:৩০ বজাত প্ৰায় ১০-১২ জনীয়া যুৱকৰ দলে তেওঁৰ বাহনখন আৱদ্ধ কৰি বলপূৰ্বক অন্য গাড়ীত তুলি লৈ যায়। চৌধুৰীয়ে কয় যে তেওঁ এখন গাড়ী ক্ৰয় কৰিবলৈ গুৱাহাটীলৈ আহিছিল। অপহৰণকাৰীসকলে গাড়ীত আৱদ্ধ কৰি একাধিক স্থানলৈ নিয়ে। অপহৰণকাৰীসকলে তেওঁৰ পত্নীক মাতিবলৈ কয় আৰু মুক্তিপণ ৬ লাখ দাবী কৰে। সেই সময়ত তেওঁৰ পত্নী মৰিগাঁও আৰক্ষীৰ কাষ চাপিছিল। মৰিগাঁও আৰক্ষীয়ে মহানগৰ আৰক্ষীক সতৰ্ক কৰিছিল। হাতীগাঁও আৰক্ষীয়ে পত্নীৰ সৈতে তালাচী অভিযান আৰম্ভ কৰাত তিনিজন সন্দেহজনক লোক আটক হয়। বাকী থকা অপহৰণকাৰীসকলে চৌধুৰীক দিছপুৰ আৰক্ষী থানাৰ ওচৰত এৰি পলায়ন কৰে। চৌধুৰীয়ে আৰু অভিযোগ কৰি কয় যে বিজয় সিং নামৰ এজন অপহৰণকাৰীৰ সৈতে তেওঁৰ ধনৰ লেনদেন আছিল। অৱশ্যে ২০২২ চনত সিওঁৰ সৈতে সম্পৰ্ক ছেদ কৰিছিল। অপহৰণকাৰীসকলে দিছপুৰ আৰক্ষী বিষয়া হিচাপেও চিনাকী দিছিল। ইপিনে চৌধুৰীয়ে ধনৰ লেন-দেনৰ বাবে গুৱাহাটীত নিজেই অপহৰণৰ নাটত ৰচনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। চৌধুৰীয়ে একাধিক ব্যক্তিৰ পৰা ধন সংগ্ৰহ কৰিছিল। কিন্তু সময় মতে ধন ওভতাই দিব পৰা নাছিল। মঙলবাৰে তেওঁ গুৱাহাটীত উপস্থিত হোৱাত সেই লোকসকলে তেওঁক আৱদ্ধ কৰিছিল। পিছত ৪.৫ লাখ ঘূৰাই দিয়াৰ আশ্বাস দিছিল। তেওঁৰ পত্নীয়ে টকা আনিব বুলি কৈ পিছত পত্নীয়ে আৰক্ষী থানাত অপহৰণৰ অভিযোগ দাখিল কৰিছিল। জানিব পৰা মতে, অপহৰণৰ অভিযোগত ব্যৱহৃত এখন বাহনত বিজেপিৰ পতাকা আছিল। বাহনখন আপ নেত্ৰী মাচুমা বেগমৰ স্বামীৰ। শেহতীয়াকৈ বিজেপি দলত যোগদান কৰিছিল। খবৰ অনুসৰি তেওঁৰ স্বামীও এজন সক্ৰিয় বিজেপি কৰ্মকৰ্তা। আৰক্ষীয়ে গোচৰটোৰ তদন্ত অব্যাহত ৰাখিছে। ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# সুনীতাক পৃথিৱীলৈ ঘূৰাই অনাৰ আঁৰত আছে এগৰাকী অসমীয়া

**ই-সংবাদ, ১৯ মাৰ্চঃ** অসমৰ বুকুৰ পৰা আন্তঃৰাষ্ট্ৰীয় মহাকাশ অভিযানলৈ এক নতুন গৌৰৱগাঁথা ৰচনা কৰিলে দৰং জিলাৰ ছিপাঝাৰৰ হাজৰিকাপাৰা গাঁৱৰ সন্তান ভৱানী শৰ্মাই। বিশ্ববিখ্যাত মহাকাশ সংস্থা স্পেচ-এক্সত উচ্চপদত নিযুক্তি লাভ কৰি তেওঁ অসমৰ নাম গৌৰৱোজ্জ্বল কৰিছে। ইলন মাস্কৰ নেতৃত্বত যুগান্তকাৰী মহাকাশ সংস্থাৰ সৈতে জড়িত হৈ থকাত সুনীতা উইলিয়ামছক উভতাই অনাৰ সাফল্যত ভৱানী শৰ্মা জড়িত থকাত ঐতিহাসিক মুহূৰ্ত বুলি গণ্য কৰা হৈছে। আজি পৃথিৱীলৈ সুনীতা উইলিয়ামছ স্পেচ এক্স যানেৰে পৃথিৱীলৈ উভতি আহিছে। সুনীতা উইলিয়ামছক পৃথিৱীলৈ উভতাই অনাৰ আঁৰত আছিল এইগৰাকী অসমীয়া। ছিপাঝাৰৰ হাজৰিকাপাৰা গাঁৱৰ ভৱানী শৰ্মা আৰম্ভণিৰে পৰা জড়িত আছিল সুনীতা উইলিয়ামছ ড্ৰেগন কেপচুল প্ৰকল্পৰ সৈতে। দৰং জিলাৰ ছিপাঝাৰৰ পৰা বিশ্বমঞ্চলৈ যোৱা ভৱানী শৰ্মাৰ যাত্ৰাই অসমৰ যুৱক-যুৱতীসকলক বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আগবঢ়া পথ দেখুৱাইছে। বিশেষকৈ গ্ৰাম্য পৰ্যায়ৰ পৰা ওলাই উচ্চশিক্ষা আৰু দক্ষতাৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাত স্থান লাভ কৰাটোৱে সম্ভাৱনাৰ নতুন দুৱাৰ মেলিছে। স্থানীয় বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু পিছলৈ স্পেচ-এক্সৰ দৰে সংস্থালৈকে তেওঁৰ যাত্ৰাই পৰিশ্ৰম আৰু লক্ষ্য স্থিৰতাৰ প্ৰতীক হৈ পৰিছে। এই সাফল্যৰ খবৰে দৰং জিলাৰ জনসমাজত আনন্দৰ ঢৌ সৃষ্টি কৰিছে। স্থানীয় বাসিন্দা, শিক্ষক, আৰু যুৱ সমাজে ভৱানী শৰ্মাক অসমৰ গৌৰৱ বুলি গণ্য কৰি তেওঁৰ সফলতাক সাধুবাদ জ্ঞাপন কৰিছে। দৰং জিলাৰ উপায়ুক্তই কৈছে এয়া আমাৰ মাটিৰ সন্তানৰ বাবে এক অভূতপূৰ্ব সাফল্য। তেওঁৰ জীৱনৰ পৰা অনুপ্ৰাণিত হৈ অসমৰ যুৱপ্ৰজন্মে নিজৰ সপোনৰ পিছত ধাৱমান হ'ব। স্পেচ-এক্সত ভৱানী শৰ্মাৰ যোগদানে কেৱল ব্যক্তিগত সাফল্যেই নহয়, বৰং অসমৰ পৰা বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত আগবঢ়া প্ৰতিভাৰ সম্ভাৱনাক ইংগিত দিছে। ইয়াৰ আগতে ইছৰোৰ দৰে সংস্থাতো অসমীয়া বিজ্ঞানীসকলে অৱদান আগবঢ়াইছে। ভৱানীৰ সাফল্যয়ে এই ধাৰাটোক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰিলে। সামাজিক মাধ্যমৰ পৰা ৰাজনৈতিক নেতৃত্বলৈকে সকলো শ্ৰেণীৰ লোকেই ভৱানী শৰ্মালৈ শুভেচ্ছা জনাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই টুইটাৰত লিখিছে 'অসমীয়া যুৱক-যুৱতীসকলৰ অসীম সম্ভাৱনা। ভৱানী শৰ্মাৰ সাফল্যই আমাক সকলোকে গৌৰৱান্বিত কৰিছে।' ভৱানী শৰ্মাৰ জীৱনৰ সাফল্যই সেয়া প্ৰমাণ কৰিছে যে পৰিশ্ৰম আৰু দৃঢ় সংকল্পৰে যিকোনো লক্ষ্যত উপনীত হ'ব পাৰি। মহাকাশ বিজ্ঞানৰ দৰে জটিল ক্ষেত্ৰতো অসমীয়াই নিজৰ পৰিচয় ৰাখিব পাৰে বুলি প্ৰমাণ কৰিছে। দৰঙৰ মাটিৰ পৰা ওলোৱা এই তৰাৰ উজ্জ্বলতা যেন অসমৰ প্ৰতিখন গাঁৱৰ সপোনক আলোকিত কৰে। ভৱানী শৰ্মা আজি সকলোৰে গৌৰৱ বিষয় হৈ পৰিছে।

# যোগী চৰকাৰৰ মন্ত্ৰীৰ মন্তব্যক লৈ দেশজুৰি বিতৰ্কৰ ধুমুহা

**লক্ষ্ণৌ, ১৯ মাৰ্চঃ** "সাতজন আৰক্ষী বিষয়াৰ হাত-ভৰি ভাঙি গাঁতত পেলাই থৈ আজি মই এই পৰ্যায়ত উপনীত হৈছো।" -এই মন্তব্যৰে বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে উত্তৰ প্ৰদেশৰ মন্ত্ৰী তথা নিশাদ পাৰ্টিৰ সভাপতি সঞ্জয় নিশাদ। ৰাজনৈতিক সংগ্ৰাম সন্দৰ্ভত ক'বলৈ গৈ এক অনুষ্ঠানৰ মঞ্চত এই মন্তব্য কৰে নিশাদে। স্বাভাৱিকতে তেওঁৰ বক্তব্যক কেন্দ্ৰ কৰি তীব্ৰ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি হৈছে। ইফালে তেওঁৰ এই মন্তব্যক লৈ দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছত মন্তব্যৰ বাখ্যা আগবঢ়ায় যোগী চৰকাৰৰ মন্ত্ৰীগৰাকীয়ে। তেওঁ কয়, "মই কিয় এই কথা ক'লোঁ সেয়া সকলোৱে বেলেগ ধৰণে বুজিছে। ২০১৫ চনৰ ৭ জুনত ৰে'ল আন্দোলনৰ সময়ত ৰক্ষকসকলে ভক্ষক হৈ পৰিছিল। আমি যেতিয়া ৰে'লৱেৰ মাটিত আছিলো তেতিয়া চিআৰপিএফে আহি আমাক আক্ৰমণ কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ ভূমি আছিল, কেন্দ্ৰীয় নিৰাপত্তা বাহিনী আছিল।" সঞ্জয় নিশাদে আৰু দাবী কৰে যে, "ৰাজ্য চৰকাৰে আমাৰ ওপৰত অন্যায়ভাৱে গুলীচালনা কৰিবলৈ নিৰ্দেশ দিছিল। যেতিয়া ৰক্ষকেই ভক্ষক হৈ পৰে তেতিয়া আত্মৰক্ষাৰ বাবে যিকোনো ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। গতিকে মোৰ বক্তব্যৰ প্ৰকৃত প্ৰসংগও চোৱাৰ প্ৰয়োজন আছে।" ইয়াৰ পূৰ্বে গোৰখপুৰত হোলী সমাৰেশত বিৰোধী দলক আক্ৰমণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, "কিছুমান নেতাই বিভাজন সৃষ্টিৰ চেষ্টা কৰিছে। শুকুৰবাৰৰ নামাজৰ সময়ত মানুহে ইজনে সিজনক সাৱটি ধৰে, আৰু হোলীৰ সময়তো একেদৰেই কৰে। এই উৎসৱসমূহৰ মূল লক্ষ্য হৈছে একত্ৰিত হোৱা, কিন্তু একাংশ ৰাজনৈতিক শক্তিয়ে এইটো নিবিচাৰে।" তেওঁ লগতে কয়, "এটা নিৰ্দিষ্ট গোটৰ মনত বিষ ঢালি দিয়া হৈছে। তেওঁলোক এই দেশৰ নাগৰিক। কিন্তু যদি সঁচাকৈয়ে ৰঙৰ সমস্যা আছে, তেন্তে তেওঁলোকে ঘৰতে নহয়, বৰঞ্চ দেশ এৰিও যাব লাগে।" ৰঙৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, "এই সমাজৰ এটা নিৰ্দিষ্ট অংশই ৰঙৰ ব্যাপক ব্যৱহাৰ কৰে— কাপোৰত, ঘৰ সজোৱাত, ব্যৱসায়ত। যদি সঁচাকৈয়ে ৰঙৰ সমস্যা হ'লহেঁতেন, তেন্তে তেওঁলোকে এই সকলোবোৰ কেনেকৈ কৰিলেহেঁতেন?" সঞ্জয় নিশাদৰ এই মন্তব্যৰ পিছত ৰাজনৈতিক মহলত আৰম্ভ হৈছে এক উত্তপ্ত বিতৰ্ক। এনে উচটনিমূলক মন্তব্য এজন দায়িত্বশীল মন্ত্ৰীৰ বাবে উপযুক্ত নহয় বুলি কৈ বিৰোধীয়ে তীব্ৰ ভাষাৰে আক্ৰমণ চলাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰ দিৱস বাতিলৰ ঘোষণা বিজেপি

অনুষ্ঠিত কৰিব খোজাত গৰজি উঠিছে জাতীয় সংগঠন। সদৌ অসম ছাত্ৰ সন্থা, মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে, বীৰ লাচিত সেনা জাঙুৰ খাই উঠিছে। কোনো কাৰণত অসমত বিহাৰ দিৱাস পালন কৰিব দিয়া নহ'ব বুলি হুংকাৰ প্ৰদান কৰিছে। বিহাৰ দিৱস উদযাপন কৰিলে পৰিস্থিতি বিষম হ'ব বুলিও হুংকাৰ প্ৰদান কৰিছে সদৌ অসম ছাত্ৰ সন্থা আৰু আন জাতীয়-জনগোষ্ঠীয় সংগঠনে। বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই কয় যে বিহাৰ দিৱস তিনিচুকীয়াত কোনো কাৰণত পাতিব দিয়া নহ'ব। চিধা আৰু স্পষ্ট কথা। দল-সংগঠনে কয় যে অসমত কেৱল অসম দিৱস উদযাপন কৰা হ'ব। জাতীয় সংগঠনৰ ৰুদ্ৰমূৰ্তিত সেও মানি বিজেপিয়ে তিনিচুকীয়াত ২২ মাৰ্চৰ বিহাৰ দিৱসৰ অনুষ্ঠান বাতিল কৰাৰ ঘোষণা কৰিছে। আজি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এক বিবৃতি প্ৰকাশ কৰে। দিলীপ শইকীয়াই কয় যে এক ভাৰত শ্ৰেষ্ঠ ভাৰত স্নেহ সন্মিলনৰ অংশ স্বৰূপে ২২ মাৰ্চত ৰাষ্ট্ৰজুৰি বিহাৰ দিৱস পালন কৰা হ'ব। দিলীপ শইকীয়াই কয় যে ২২ মাৰ্চ বিজেপিৰ অসম প্ৰদেশৰ উদ্যোগত তিনিচুকীয়া জিলাত বিহাৰ ৰাজ্য প্ৰতিষ্ঠা দিৱস সন্দৰ্ভত বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি দৃষ্টিগোচৰ হৈছে। বিগত কেইবা বছৰ ধৰি এনডিএ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ, ভাৰতীয় জনতা পাৰ্টি আৰু সহযোগী দলসমূহে এক ভাৰত শ্ৰেষ্ঠ ভাৰত কাৰ্যসূচীৰ অধীনত বিভিন্ন ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস 'স্নেহ মিলন উৎসৱ' হিচাপে উদযাপন কৰি আহিছে। বিভিন্ন ৰাজ্যত বসবাস কৰা জাতি-জনগোষ্ঠী, ভাষা-ভাষী আৰু ধৰ্মালম্বী লোকৰ মাজত একতা, সম্প্ৰতি, সদভাব আৰু দেশৰ বৈচিত্ৰতাৰ মাজত ঐক্য শক্তিশালী কৰাৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইতিমধ্যে দিল্লী, তামিলনাডু, মহাৰাষ্ট্ৰ, মিজোৰাম, নাগালেণ্ডকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যই আমাৰ ৰাজ্যৰ 'অসম দিৱস' উদযাপন কৰিছে। একেদৰে অসমেও মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, গুজৰাট, মহাৰাষ্ট্ৰ, চিকিমকে ধৰি বিভিন্ন ৰাজ্যৰ প্ৰতিষ্ঠা দিৱসক উদযাপন কৰিছে। বিবৃতিত সভাপতি শইকীয়াই বিভিন্ন দল সংগঠনে জনোৱা আহ্বানৰ প্ৰতি সহাৰি জনাই তিনিচুকীয়াত আয়োজিত হ'ব লগা বিহাৰ ৰাজ্য প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী বাতিল কৰাৰ ঘোষণা কৰি অসমৰ ৰাইজক কয় যে এই ক্ষেত্ৰত অসমৰ জনগনত আকৌ এবাৰ স্পষ্টকৈ জনাব বিচাৰো যে বিভিন্ন ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ এই কাৰ্যসূচীয়ে ভাৰতবৰ্ষৰ একতা আৰু সম্প্ৰতিৰ এনাজৰীদাল শক্তিশালী কৰিব। সেয়েহে অসমৰ লগতে বিভিন্ন ৰাজ্যই প্ৰত্যেক বছৰে ২ ডিচেম্বৰত পালন কৰি অহা অসম দিৱস উদযাপনক যদি আমি আদৰণি জনাও। তেতিয়াহলে অসমত আয়োজন কৰা বিহাৰ ৰাজ্যৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীও আদৰণিৰ যোগ্য আৰু নিশ্চিতভাৱে অসমবাসীও ইয়াক আদৰণি জনাব। এই ক্ষেত্ৰত ৰাজনৈতিক দৃষ্টি ভংগীৰ উৰ্দ্ধত গৈ ইয়াক কেৱল সাংস্কৃতিক দৃষ্টিকোণেৰে চোৱাটো উচিত বুলি কয় সভাপতি শইকীয়াই। আনহাতে ৫০০ বছৰীয়া ভাৰতীয় সংস্কৃতিৰ অন্যতম প্ৰতীক ভাগৱান মহাবীৰ গৌতম বুদ্ধৰ তপস্যাস্থল বুধগঞ্জা আৰু ভাৰতবৰ্ষৰ প্ৰাচীনতম বিশ্ববিদ্যালয় নালন্দা বিশ্ববিদ্যালয়ে সমগ্ৰ বিশ্বৰ ১০,০০০ ছাত্ৰ-ছাত্ৰীক ৭০ টা বিভাগত শিক্ষা প্ৰদান কৰাৰ ঐতিহাসিক উদাহৰণ সৰ্বজনবিদিত। সেয়েহে বিহাৰ বা অসমৰ সংস্কৃতি আৰু ভাৰতৰ অন্য ৰাজ্যৰ সংস্কৃতিৰ মাজত এটা একাত্মতাৰ ভাৱ পূৰ্বতেও আছিল, বৰ্তমানেও আছে আৰু ভবিষ্যতেও থাকিব। দিলীপ শইকীয়াই স্পষ্টতাৰে তেওঁৰ কথাখিনি বিচাৰ আৰু বিশ্লেষণ কৰিবলৈ বিনম্ৰতাৰে ৰাইজক আহ্বান জনায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহবুবুলক লৈ মতবিৰোধ দুই মিত্ৰদলৰ

মেঘালয় চমুকৈ ইউএছটিএমক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ লগতে পৰীক্ষাত নম্বৰ বঢ়াই দিয়াৰ ছাত্ৰৰ অভিযোগৰ ভিত্তিত ইউএছটিএমৰ স্বত্বাধিকাৰী মহবুবুল হকক গ্ৰেপ্তাৰ কৰাত বৰ্তমানেও হক ন্যায়িক জিম্মাত কাৰাগাৰত বন্দী হৈ আছে। তাৰ মাজতে ইউএছটিএমক লৈ মেঘালয়ত দুই মেৰুত বিভাজিত হোৱা দেখা গৈছে বিজেপি আৰু এনপিপি দলক। বিজেপি আৰু এনপিপি দলে মিত্ৰতাৰে মেঘালয়ত চৰকাৰ চলাই থাকিলেও এনপিপ দল তথা দলটোৰ মুৰব্বী কনৰাড চাংমাই সদায়েই ইউএছটিএমৰ পক্ষত কথা কোৱা পৰিলক্ষিত হয়। আনহাতে অসমৰ বিজেপি নেতা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সুৰতে সুৰ মিলাই মেঘালয়ৰ বিজেপি নেতাই ইউএছটিএমক বিৰোধ কৰা পৰিলক্ষিত হৈ আহিছে। তাৰ মাজতে বিজেপিয়ে ইউএছটিএমক মেঘালয় চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰা বুলি অভিযোগ আনিছে বিজেপিৰ নেতাই। চৰকাৰে আৰ্থিক সাহায্য দিয়াৰ অভিযোগ উত্থাপন কৰিছে মেঘালয়ৰ বিজেপিৰ নেতাই। মেঘালয় ৰাজ্যিক বিজেপিয়ে ৰাজ্য চৰকাৰক প্ৰশ্ন কৰিছিল যে ইউএছটিএম ব্যক্তিগত নে চৰকাৰী প্ৰতিষ্ঠান। লগতে মাচুলৰ গাঁথনি চৰকাৰী প্ৰতিষ্ঠানতকৈ কিয় অধিক সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছিল। বিজেপিৰ নেতাৰ অভিযোগৰ প্ৰত্যুত্তৰ দি মেঘালয় চৰকাৰৰ মন্ত্ৰী তথা এনপিপিৰ জ্যেষ্ঠ নেতাই বিজেপিক অনুমান কৰি কথা নক'বলৈ স্পষ্ট কৰি দিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় মেঘালয় চমুকৈ ইউএছটিএমক লৈ অনুমান কৰি কথা নকব বুলি ক্ষোভ জাহিৰ কৰিছে মেঘালয় চৰকাৰৰ মন্ত্ৰী আমপাৰিন লিংডোৱে। মেঘালয়ৰ এনপিপি নেতৃত্বাধীন চৰকাৰৰ অংশীদাৰী দল বিজেপিক কঠোৰ ভাষাৰে স্পষ্ট কৰি অনুমান কৰি কথা নকব বুলি কয় লিংডোৱে। ইউএছটিএমক ৰাজ্য চৰকাৰে কোনো বিত্তীয় অনুমোদন দিয়া নাই বুলি স্পষ্ট কৰে স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয় যে যদি আৰ্থিক সাহায্য দিয়াৰ সিদ্ধান্ত লোৱা হয় তেতিয়া সেই কথা ৰাজহুৱা কৰা হ'ব। অনুগ্ৰহ কৰি অনুমান কৰি তথা নক'ব। ধাৰণা হৈছে অপ্ৰমাণিত তথ্য। চৰকাৰে কোনো অনুমোদন প্ৰদান কৰিলে আপোনালোকক অৱগত কৰা হ'ব। মন্ত্ৰী লিংডোৱে স্পষ্ট কৰে যে ইউএছটিএমৰ তৰফৰ পৰা ৰাজ্য চৰকাৰলৈ এটা অনুৰোধ আহিছে। কিন্তু কোনো সিদ্ধান্ত লোৱা হোৱা নাই। আমি সিদ্ধান্ত ল'লে ৰাইজক জনাম। জানিব পৰা মতে, ইউএছটিএম কৰ্তৃপক্ষই ৰাজ্য চৰকাৰক পিএ চাংমা আন্তঃৰাষ্ট্ৰীয় চিকিৎসা মহাবিদ্যালয়ৰ বাবে ২৩৩ কোটি টকাৰ সুদ-মুক্ত ঋণ প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে। বিনিময়ত ইউএছটিএম আৰু মেঘালয় চৰকাৰৰ যুটীয়া উদ্যোগত ৰাজ্য চৰকাৰক মেডিকেলত ৪০ খন আসন আৱণ্টন কৰা হ'ব অফাৰ কৰিছে। চৰকাৰী মাচুল গাঁথনিৰ অধীনত ২৫ খন আৰু বিশ্ববিদ্যালয়ৰ মাচুল গাঁথনিৰ আধাত ১৫ খন আসন আৱণ্টন কৰা হ'ব। লিংডোৱে বিজেপি অভিযোগ সন্দৰ্ভত আৰু কয় যে বহু প্ৰতিষ্ঠানে চৰকাৰৰ ওচৰত অনুৰোধ দাখিল কৰে। কিন্তু সকলোবোৰৰ পুংখানুপুংখ মূল্যাংকন কৰা হয়। চৰকাৰে পৰিস্থিতি, প্ৰভাৱ আৰু প্ৰত্যাশিত ফলাফলৰ কথা বিবেচনা কৰি প্ৰতিটো অনুৰোধ পৰীক্ষা কৰে। ইউএছটিএমক কেৱল ৰাজ্য চৰকাৰে পিএ চাংমা চিকিৎসা মহাবিদ্যালয় নামৰ চিকিৎসা মহাবিদ্যালয়খন পৰিচালনা কৰিবলৈ এনঅ'চি প্ৰদান কৰিছে। অনুমানৰ ওপৰত আধাৰিত কৰি বিতৰ্ক কৰাটো অনুচিত। তেনেদৰে আমি শাসন নচলাও। লিংডোৱে লগতে উল্লেখ কৰে যে মেঘালয়ত ব্যক্তিগতভাৱে পৰিচালিত এখন চিকিৎসা মহাবিদ্যালয় লাভজনক। কিয়নো স্থানীয় শিক্ষাৰ্থীসকলক উচ্চ আৰু কাৰিকৰী শিক্ষাৰ সুবিধা প্ৰদান কৰিব। যিটো আগতে উপলব্ধ নাছিল। এনঅ'চিত উল্লেখ কৰা চৰ্তাৱলী আৰু নিয়মাৱলীয়ে স্থানীয় শিক্ষাৰ্থীসকলক শিক্ষাৰ সুবিধা পোৱাটো নিশ্চিত কৰে। শীঘ্ৰেই আৰু দুখন চৰকাৰ পৰিচালিত চিকিৎসা মহাবিদ্যালয়ৰ কাম আৰম্ভ হ'ব। লিংডোৱে পুনৰ কয় যে আৰম্ভণিৰ পৰাই চৰকাৰে প্ৰতিটো সিদ্ধান্তৰ ভাল-বেয়া বিশ্লেষণ কৰি আহিছে। এতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই। বিজেপিয়ে অনুমান কৰিব পাৰে। চৰকাৰে ৰাজ্যখনৰ বাবে সৰ্বশ্ৰেষ্ঠ কি তাৰ ওপৰত আধাৰিত কৰি আগবাঢ়িব। চৰকাৰে এই ধৰণৰ চিকিৎসা মহাবিদ্যালয়খনক অনুমতি দিয়াৰ লাভালাভ আৰু ত্ৰুটিবোৰ সতৰ্কতাৰে মূল্যাংকন কৰিছে। বিশেষকৈ স্থানীয় শিক্ষাৰ্থীসকলৰ বাবে সংৰক্ষিত আসনৰ ক্ষেত্ৰত ৰাজ্যখনক সুবিধা প্ৰদান কৰিব। প্ৰতিষ্ঠানটোৰ ভিতৰত যি ঘটে সেয়া চৰকাৰৰ আওতাৰ বাহিৰত আৰু প্ৰশাসনে অধিকাৰক্ষেত্ৰৰ বাহিৰৰ বিষয়ত লিপ্ত নহয়। ইউএছটিএমৰ প্ৰস্তাৱ অনুসৰি ৰাজ্য চৰকাৰত ৪০ খন আসন আৱণ্টন কৰা হ'ব। চৰকাৰী মাচুল গাঁথনিৰ অধীনত ২৫ খন আৰু বিশ্ববিদ্যালয়ৰ মাচুল গাঁথনিৰ আধাত ১৫ খন আসন আৱণ্টন কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ দিনত ৩৭০ কোটি টকা খৰছ

আক্ৰমণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা পত্নী মালিকানাধীন সংবাদ প্ৰতিষ্ঠানলৈ চৰকাৰী বিজ্ঞাপনৰ ধন অত্যাধিক আৱন্টন দিয়াৰ অভিযোগ আনে ৰিপুন বৰাই। বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত বিজ্ঞাপনত ২০২১-২০২৫ লৈ প্ৰায় ৩৭০ কোটি টকা খৰচ কৰিছে। এবছৰত ৭৪ কোটি টকা। মুখ্যমন্ত্ৰীৰ পত্নী আৰু পৰিয়ালৰ মালিকানাধীন সংবাদ প্ৰতষ্ঠানসমূহে পাইছে প্ৰায় ২২ কোটি টকা। নিয়মীয়া বাৰ্তাই ১৪.০১ কোটি টকা, নিউজ লাইভে ৩.৭১ কোটি টকা, নৰ্থ ইষ্ট লাইভে ১.৯৯ কোটি টকা, ৰামধেনুৱে ৭৯ লাখ টকা আৰু ৰং চেনেলে ১.৩৮ কোটি টকা। এবছৰত মুঠ ২১.৮৮ কোটি টকাৰ বিজ্ঞাপন লাভ কৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। আনহাতে ভ্ৰমণৰ নামত মুখ্যমন্ত্ৰীয়ে ৰাজকোষৰ ধন শৰাধ কৰাৰ অভিযোগ আনিছে কংগ্ৰেছ নেতাজনে। ২০২১ চনৰ পৰা ২০২৪ চনলৈ মুখ্যমন্ত্ৰীয়ে হেলিকপ্টাৰ আৰু চাৰ্টাড বিমানৰ নামত ৫৮ কোটি টকা খৰচ কৰিছে। এটা বছৰত ১৪.৫ কোটি টকা খৰছ কৰিছে। আনহাতে ৰিপুন বৰাই বিজেপিয়ে নিজৰ ৰাজনৈতিক স্বাৰ্থত ২০২৫-২৬ বৰ্ষৰ অসমৰ বিত্তীয় বাজেট ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অৰুণোদয় আঁচনি গেৰুৱাকৰণ কৰাৰ লগতে ২০২৫-২৬ বৰ্ষৰ বাজেট সম্পূৰ্ণৰূপে ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ অভিযোগ আনে। ৰিপুণ বৰাই কয় যে অৰুণোদয়ৰ নামত ব্যাপক অনিয়ম আৰু গেৰুৱাকৰণ কৰা হৈছে। ২০২০ত অৰুণোদয় আৰম্ভ কৰাত হিতাধিকাৰীৰ আছিল ১৮ লাখ। ২০২৩ত হিতাধিকাৰী হ'ল ২৪ লাখ। ২০২৬ৰ নিৰ্বাচনক লক্ষ্য কৰি হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি কৰা হৈছে। বাজেটত ৫০০০ কোটি টকা ধাৰ্য কৰিছে। হিতাধিকাৰী নিৰ্বাচনৰ বাবে চৰকাৰে সকলো নিৰ্দেশনা উলংঘা কৰিছে বুলি অভিযোগ আনে কংগ্ৰেছ নেতাজনে। ২০২৬ৰ নিৰ্বাচনত ভোট কিনিবৰ বাবে বিজেপিৰ নেতা-কৰ্মীয়ে নীতি-নিৰ্দেশনা উলংঘা কৰাৰ বুলি কৈ বৰাই কয় যে অৰুণোদয়ৰ হিতাধিকাৰী গাঁওসভা পাতি নিৰ্বাচন কৰিব লাগে। কিন্তু বিজেপিৰ বিধায়ক, মন্ত্ৰীয়ে নিজ দলৰে কৰ্মীক তালিকাভুক্ত কৰি আহিছে। বৃদ্ধ পেন্সন, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেন্সন, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় দিব্যাংগ পেন্সন আদি আঁচনিত উপকৃত হৈ থকা মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰিবলৈ দিয়া নাই। বিজেপিয়ে ৰাজনৈতিক স্বাৰ্থত দলীয় সদস্যপদ গ্ৰহণ কৰা মহিলাক কেৱল আচনিত তালিকাভুক্ত কৰিছে। অৰুণোদয়ৰ প্ৰলোভন দি বলপূৰ্বক বিজেপিৰ সদস্য কৰিছে। ৰিপুন বৰাই বাজেটৰ ধন বিজেপি চৰকাৰে নিজৰ ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি কয় যে ৰাইজৰ কষ্টোপাৰ্জিত টকাৰ পৰা সংগ্ৰহ কৰা কৰ-কাটলৰ টকাৰে বনোৱা ২০২৫-২৬ৰ বাজেটখনক বিজেপিয়ে দলীয় স্বাৰ্থত ব্যৱহাৰ কৰিছে। বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ ১,৫৫,৪২৮.৭৫ কোটি। ২০২৪-২৫ বৰ্ষৰ বাজেটত নিৰ্ধাৰিত টকাৰ ৭০ শতাংশহে চৰকাৰে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। এইবাৰৰ বাজেটতো ৭০ শতাংশতকৈ অধিক টকা চৰকাৰে সংগ্ৰহ কৰিব নোৱাৰিব। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ শেষত বাস্তৱিকতে বাজেটৰ পৰিমাণ হ'ব ১,০৮,০০০.০০ কোটি টকা। প্ৰায় ৪ লাখ ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু ১.৫ লাখ পেন্সনাৰ। এটা বিত্তীয় বৰ্ষত কৰ্মচাৰীৰ দৰমহাত ৪৪ হাজাৰ কোটি টকা লাগে। পেন্সনাৰসকলৰ বাবদ লাগে ১০ হাজাৰ কোটি টকা। কৰ্মচাৰীৰ ভাট্টা, চিকিৎসা, ভ্ৰমণ বানচ, বোনাচ, বকেয়াত ১০০০ কোটি টকা লাগে। অস্থায়ী প্ৰায় ১ লাখ কৰ্মচাৰীক এবছৰত ১০০০ কোটি টকা লাগে। সকলো মিলাই লাগে মুঠ ৪৭ হাজাৰ কোটি টকা। চৰকাৰখনে বৰ্তমানলৈকে লোৱা ঋণৰ প্ৰায় ২.০৬ লাখ কোটি টকা। তাৰ ববাদ বাৰ্ষিক সুদ ১৬ হাজাৰ কোটি টকা। বাজেটত ২০২৫-২৬ৰ অৰুণোদয়ৰ ৩৭.২ লাখ হিতাধিকাৰীৰ বাবে ব্যয় হ'ব ৫ হাজাৰ কোটি টকা। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ ৩২ লাখ হিতাধিকাৰীৰ বাবে ৩০৩৮ কোটি টকা। নিযুত মইনা আঁচনি ৪.৩ লাখ হিতাধিকাৰীৰ বাবে ৩৯১ কোটি টকা। চাহ শ্ৰমিকৰ এককালীন বিত্তীয় সাহায্যৰ বাবে ৫ হাজাৰ টকাকৈ ৬.৮ লাখ হিতাধিকাৰীৰ বাবে ৩৪২ কোটি টকা। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ এক লাখ হিতাধিকাৰীৰ বাবে ৭৭৩ কোটি টকা। লাখপতি বাইদেউ আঁচনিত আছে ৮.৮২ হিতাধিকাৰী। খাদ্য সুৰক্ষাৰ বিনামূলীয়া চাউলৰ অতিৰিক্ত ৪০ লাখ হিতাধিকাৰীৰ বাবে ৩৭০ কোটি টকা। বাজেটত ১.৩০ কোটি হিতাধিকাৰীৰ বাবে প্ৰায় ১০ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অসমৰ মুঠ ভোটাৰ ২.৪১ কোটি আৰু ১.৩০ কোটি হিতাধিকাৰী। সকলো খৰচ যোগ কৰিলে মুঠ খৰচৰ পৰিমাণ হয় প্ৰায় ৭৩ হাজাৰ কোটি টকা। ২০২৫-২৬ বৰ্ষৰ বাজেটত যদি আগৰ বছৰৰ দৰে মুঠ ধাৰ্য টকাৰ ৭০ শতাংশ সংগৃহীত হয় তেন্তে বাজেটৰ মুঠ সংগৃহীত টকা হ'ব ১,০৮,০০০ কোটি টকা। যদি ১,০৮,০০০ কোটি টকাৰ পৰা ৭৩,০০০ কোটি টকা বাদ দিয়া হয় তেতিয়া হ'লে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে থাকিব মাত্ৰ ৩৫,০০০ কোটি টকা। সমস্যাবহুল ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে ৩৫,০০০ কোটি টকা এপাচি শাকত এটা জলকীয়া সদৃশ বুলিও কয় বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাৰ দৰে হ'ব অসমৰ পথ, সাৰ

মানদণ্ডৰ দৰে বিশ্বমানৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব অসমত। অসমৰ ঘাইপথৰ বাবে ৩ লাখ কোটি টকা বিনিয়োগ কৰিব। ৰাজ্যসভাত প্ৰশ্নকালত গাডকাৰীয়ে আশ্বাস দিয়ে যে তেওঁৰ মন্ত্ৰালয়ৰ পথ প্ৰকল্পৰ বাবে পুঁজিৰ কোনো অভাৱ নাই। অসমৰ ঘাইপথ নেটৱৰ্ক সম্পূৰ্ণ ৰূপান্তৰ হ'ব। গুৱাহাটী ৰিং ৰোডৰ বাবে টকা দিয়াৰ ঘোষণা কৰে। গুৱাহাটী ৰিং ৰোড ২০২৭ চনৰ ডিচেম্বৰৰ ভিতৰত ৫,৮০০ কোটি টকা ব্যয়েৰে সম্পূৰ্ণ হ'ব। ডিব্ৰুগড়-ব্ৰহ্মপুত্ৰ নদীসুৰংগ পথ আনুমানিক ব্যয় ১২,০০০ কোটি। বৰ্তমান অনুমোদন প্ৰক্ৰিয়া চলি আছে। পুঁজিৰ সীমাবদ্ধতা নথকাকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ঘাইপথ কেবিনেটৰ অনুমোদন পাইছে। গাডকাৰীয়ে কয় যে এই প্ৰকল্পসমূহে সংযোগ বৃদ্ধি কৰিব। সংস্থাপন সৃষ্টি কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলত অৰ্থনৈতিক বিকাশ হ'ব। আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰি কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলে সৰ্বাধিক অগ্ৰাধিকাৰ লাভ কৰিছে। এই বিনিয়োগৰ ফলত অসমে এক বৃহৎ আন্তঃগাঁথনি পৰিৱৰ্তন হ'ব। যাৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ এক মুখ্য অৰ্থনৈতিক কেন্দ্ৰ হিচাপে স্থিতি শক্তিশালী হ'ব। আনহাতে, আজি অনুষ্ঠিত নৰেন্দ্ৰ মোদীৰ কেবিনেট নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থটো গোট নিৰ্মাণৰ বাবে ধনৰ আৱন্টন দিয়াৰ সিদ্ধান্ত লয়। কেন্দ্ৰীয় কেবিনেটে নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থটো গোটৰ বাবে ১০ হাজাৰ ৬০১ কোটি টকা আৱন্টন দিয়াৰ সিদ্ধান্ত লয়। চাৰি বছৰৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ হ'ব চতুৰ্থটো গোট তথা প্ৰকল্প। মুখ্যমন্ত্ৰীয়ে কেবিনেট সিদ্ধান্তৰ পিছতে প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বাবে আজিৰ দিনটো অত্যন্ত গুৰুত্বপূৰ্ণ দিন। এডভাণ্টেজ আছাম-২.০ৰ পাছত সম্পূৰ্ণৰূপে ফলপ্ৰসূ বিনিয়োগৰ অন্যতম বৃহৎ প্ৰস্তাৱ হিচাপে নামৰূপ প্ৰকল্পই ১০,৬০০ কোটি টকাৰ বিনিয়োগ কঢ়িয়াবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় কেবিনেটে অসমৰ নামৰূপৰ সাৰ কাৰখানাৰ বিদ্যমান চৌহদত এটা নতুন ব্ৰাউনফিল্ড এম'নিয়া-ইউৰিয়া পৰিসৰ প্ৰকল্প স্থাপনত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰৰ সদিচ্ছা আৰু ঐতিহাসিক নীতিগত হস্তক্ষেপৰ জৰিয়তে আমাৰ ৰাজ্যৰ বিশাল সম্ভাৱনাক উন্মুক্ত কৰাৰ বাবে প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত চিৰ কৃতজ্ঞ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘৰ দি মোদীৰ বাবে আশীৰ্বাদ বিচাৰিলে

খেলপথাৰত আজি ৰাজ্য প্ৰশাসনৰ এখন সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণৰ বাবে ৩ লাখ ৮৮ হাজাৰ হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন বেংকৰ জৰিয়তে প্ৰদানৰ শুভাৰম্ভ কৰে। সভাত কেইবাগৰাকী হিতাধিকাৰীক প্ৰথম কিস্তিৰ ৩৭,৫০০ টকাৰ অনুমোদন পত্ৰ বিতৰণ কৰি প্ৰথম কিস্তিৰ ধন প্ৰদান আৰম্ভ কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। প্ৰথম কিস্তিৰ ধন তথা অনুমোদন পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সকলোৰে বাবে ঘৰ এতিয়া কেৱল এক ভিজন নহয়, এয়া এক বাস্তৱ। অসমৰ গাঁৱৰ প্ৰত্যেকগৰাকী দৰিদ্ৰ লোকক প্ৰধানমন্ত্ৰীয়ে ঘৰ দিয়া হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যদি দিব বিচাৰে তেন্তে আমি লোৱাত আৰু সেই আঁচনিৰ সফল ৰূপায়ণ কৰাত অসুবিধা ক'ত? আজি গধূলিৰ ভিতৰত নিৰ্বাচিতসকলৰ ভিতৰত ২ লাখ মানুহৰ একাউন্টত প্ৰথম কিস্তিৰ ৩৭,৫০০ টকা সোমাব। বাকীবোৰে কাইলৈ অথবা পৰহিলৈ সোমাব। মুখ্যমন্ত্ৰীয়ে আৱাস গৃহ প্ৰদানৰ নামত উৎকোচ প্ৰদানৰ অভিযোগক গুৰুত্ব প্ৰদান কৰি গৃহ লাভৰ বাবে কাকো ফৎকোট নদিবলৈ মুকলিকৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আপোনালোকক কোনোবাই অনুমোদন পত্ৰৰ বাবে ধন বিচাৰিলে নিদিব। যদি কোনোবাই ধন দিছেও ওভতাই বিচাৰিব। লগতে অভিযোগ কৰিব। লগতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোদীৰ বাবে আশীৰ্বাদ বিচাৰি কয় যে চৰকাৰী ঘৰ পোৱাসকলে প্ৰধানমন্ত্ৰীক আশীৰ্বাদ দিব। নিৰ্বাচনত পদুম ফুলৰ চিহ্নত ভোট দিলেই আশীৰ্বাদ দিয়া হ'ব। এপ্ৰিল মাহত ৩ লাখ হিতাধিকাৰী ঘৰৰ অনুমোদন লাভ কৰিব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত এতিয়ালৈ ২২ লাখ লোকৰ ঘৰৰ কাম চলি আছে। ৰাজ্যত এতিয়াও ৪-৫ লাখ দৰিদ্ৰ লোক ঘৰ পাবলৈ বাকী আছে। ৰেচন কাৰ্ড থকাসকলে ১ অক্টোবৰৰ পৰা সুলভ মূল্যত দাইল-চেনী-নিমখ লাভ কৰিব। বজাৰ দৰতকৈ ২৫ টকা কম দামত দাইল-চেনী আৰু ১০ টকা কম দৰত নিমখ লাভ কৰিব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। পলাশবাৰী সমষ্টিত বিভিন্ন অঞ্চলত চলি থকা হাতী-মানুহৰ সংঘাতৰ ফলত সমষ্টিৰ বহু মানুহৰ ঘৰ-দুৱাৰ, খেতিপথাৰৰ বিস্তৰ ক্ষতিসাধন হৈছে। হাতীৰ জাকে তহিলং কৰিছে অঞ্চলটোৰ বহু খেতিপথাৰ, শস্য, গছ-বন। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নত বনবিভাগৰ সৈতে যোগাযোগ কৰি পৰৱৰ্তী সময়ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি বিষয়টোৰপৰা ফালৰি কটা পৰিলক্ষিত হয়। মহাকাশযাত্ৰী সুনিতা উইলিয়ামছে ঘৰ উভতি অহাৰ বাবে মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰে। অসমলৈ সুনীতা উইলিয়ামছক আমন্ত্ৰণ জনাই মুখ্যমন্ত্ৰী শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে 'আমি সুনীতা উইলিয়ামছক লৈ গৌৰৱবোধ কৰো। সুনীতাই বহু জ্ঞান লৈ উভতি আহিছে। কেতিয়াব ভাৰতলৈ আহিলে তেওঁক অসম আহিবলৈ আমন্ত্ৰণ কৰিলো। মুখ্যমন্ত্ৰীয়ে ২-৫ এপ্ৰিলৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকৃত দুখীয়া হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ লাভ কৰা বুলি ফিতাহি মাৰিলে যদিও এইক্ষেত্ৰত দক্ষিণ কামৰূপত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰকৃত হিতাধিকাৰীয়ে গৃহ লাভ কৰাৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে। পঞ্চায়তৰ সভাপতি, সচিবৰ পৰা আৰম্ভ কৰি উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীলৈকে এই দুৰ্নীতিত জড়িত থকাৰ অভিযোগ উত্থাপন কৰি আহিছে ভুক্তভোগীয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে পলাশবাৰী সমষ্টিত বিশাল জনসভাৰ আয়োজন কৰি প্ৰতিশ্ৰুতিৰ ফুলজাৰী মাৰিবলৈও সমষ্টিটোৰ দুখীয়া ৰাইজৰ বিননি শুনিবলৈ কাৰোৰে আহৰি নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰাগাৰৰ পৰা পলাল কয়দী হজৰত

কৰ্তৃপক্ষৰ চূড়ান্ত হেমাহিৰ বাবে পকছো আইনৰ ধাৰাত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত অপৰাধী তথা চিৰাং জিলাৰ এক নং ডাউখা নগৰৰ বাসিন্দা হজৰত আলী (২৫) কাৰাগাৰৰ পৰা পলায়ন কৰা ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা ১৬ মাৰ্চত দিন দুপৰতে কাৰাবন্দী হজৰত আলি পলায়ন কৰাৰ ঘটনাটো আজিহে সংবাদমাধ্যমৰ দৃষ্টিগোচৰ হৈছে আৰু কাৰাগাৰ কৰ্তৃপক্ষৰ অকৰ্মণ্যতাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত আজি কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আয়ুক্ত নিত্য বিনোদ ওৱাৰীয়ে সদৰি কৰা মতে যোৱা ১৬ মাৰ্চৰ দিনৰ ১:৩০ মান বজাত জেল কলনী পৰিস্কাৰ-পৰিচ্ছন্ন কৰাৰ সময়তে পকছো ধাৰাৰ ৪(২)/১৭ অধীনত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হজৰত আলিয়ে সুযোগ বুজি পলায়ন কৰে। পলায়নৰ পিছতে কাৰাগাৰ অধীক্ষকে ঘটনা সন্দৰ্ভত কোকৰাঝাৰ সদৰ থানাত গোচৰ ৰজু কৰিছে বুলি উল্লেখ কৰি অতিৰিক্ত আয়ুক্ত নিত্য বিনোদ ওৱাৰীয়ে ঘটনা সন্দৰ্ভত কোকৰাঝাৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি মন্তব্য কৰিছে। তদুপৰি গাফিলতিৰ বাবে উৰ্ধতন কৰ্তৃপক্ষই কাৰাগাৰ অধীক্ষক ৰবিৰাম ইংতিক নিলম্বন কৰিছে আৰু বৰ্তমান কাৰাগাৰ অধীক্ষক হিচাপে অতিৰিক্ত সহকাৰী আয়ুক্ত ধ্ৰুৱজ্যোতি দাসক দায়িত্ব দিয়া হৈছে বুলি মন্তব্য কৰিছে অতিৰিক্ত আয়ুক্ত নিত্য বিনোদ ওৱাৰীয়ে। উল্লেখ্য যে, কোকৰাঝাৰ জিলা কাৰাগাৰৰ পৰা বন্দী পলায়ন কৰা ঘটনা এয়ে প্ৰথম নহয়। ইয়াৰ পূৰ্বেও কোকৰাঝাৰ কাৰাগাৰৰ পৰা কয়দী পলায়নৰ ঘটনা সংঘটিত হৈছিল। কেইমাহমান পূৰ্বে মটৰচাইকেল চোৰ চন্দ্ৰ নাথ নামৰ কাৰাবন্দী এটাই পলায়ন কৰিছিল। পিছত চন্দ্ৰ নাথক বালাজান আৰক্ষীয়ে আটক কৰি পুনৰ জেললৈ নিক্ষেপ কৰাত কিছুদিনৰ পিছত জেলৰ পৰা আকৌ চন্দ্ৰ নাথে পলায়ন কৰিছিল। অৱশ্যে পিছত আৰক্ষীয়ে আকৌ চন্দ্ৰ নাথক আটক কৰিবলৈ সক্ষম হৈছিল। এটা কয়দীয়ে দুবাৰকৈ পলায়নৰ ঘটনাৰ পিছতো কাৰাগাৰ কৰ্তৃপক্ষৰ শিক্ষা নোহোৱা তথা কৰ্তৃপক্ষৰ গাফিলতিৰ বাবেই পুণৰাই যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কাৰাবন্দী হজৰত আলি পলায়ন কৰিবলৈ সুযোগ পালে বুলি চৰ্চিত হৈছে । অৱশ্যে কাৰাবন্দী পলায়নৰ পিছত এইবাৰ কৰ্তৃপক্ষই কাৰাগাৰ অধীক্ষকক নিলম্বন কৰিছে। কোকৰাঝাৰ জিলা কাৰাগাৰৰ পৰা বাৰে বাৰে বন্দী পলায়নৰ ঘটনা সংঘটিত হৈ থকালৈ চাই বন্দী পলায়নৰ সুৰঙা আছে নেকি তাকে লৈও প্ৰশ্ন উত্থাপিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'হিন্দীভাষীৰ স্বাৰ্থত অসমত বিহাৰ দিৱস'

ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। আজি অখিল গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে অসমত বিহাৰ দিৱস পতাৰ কোনো যুক্তি নাই। বিহাৰত অসম দিৱস জিলাই জিলাই পতাৰ খবৰ কাৰো হাতত নাই। এইবোৰ চক্ৰান্তক মুখ্যমন্ত্ৰীৰ আভুৱাভৰা কথাই ন্যায্যতা দিব নোৱাৰে। হিন্দীভাষী ভোট লাভ কৰা স্বাৰ্থত অসমত বিহাৰ দিৱস আয়োজন কৰিব বিচৰা হৈছে। বিহাৰত কেতিয়াবা অসম দিৱস আয়োজন কৰা হৈছে নেকি বুলি প্ৰশ্ন অখিল গগৈৰ? ৰাজভৱনতে হওক বা অন্য ঠাইতে হওক বিহাৰ দিৱস পতাৰ যুক্তি নাই। মুখ্যমন্ত্ৰীয়ে বিষয়টো লঘু কৰি অসমীয়া জাতিক অপমান কৰাৰ চেষ্টা কৰিছে বুলিও ক্ষোভ উজাৰে অখিল গগৈয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# সৰুপথাৰত ৩৮০০ হিতাধিকাৰীৰ মাজত পিএমএৱাই-জিৰ আবণ্টন পত্ৰ বিতৰণ

**ই-সংবাদ, সৰুপথাৰ, ১৯ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে সৰুপথাৰতো আজি পি এম এ ৱাই-জিৰ হিতাধিকাৰীসকলক আবণ্টন পত্ৰ প্ৰদান কৰা হয়। গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ উদ্যোগত ৰামধেনু মুকলি মঞ্চত আয়োজিত এক অনুষ্ঠানত শেষাংশ ৮ পৃষ্ঠাত

# ধেমাজিত অনুষ্ঠিত হ'ব কোঁচ সন্মিলনীৰ ৰাজ্যিক অধিৱেশন

**ই-সংবাদ, ধেমাজি, ১৯ মাৰ্চঃ** কোঁচ জনগোষ্ঠীৰে বীৰ সন্তান বিশ্বসিংহ, মহাৰাজ নৰনাৰায়ণ, বিশ্বমহাবীৰ চিলাৰায়ৰ শৌৰ্য, বীৰ্য আৰু অতুল বিক্ৰমেৰে গৰিমামণ্ডিত বৰ্তমানৰ কোঁচ জনগোষ্ঠী। কিন্তু একাংশ স্বাৰ্থান্বেষী ষড়যন্ত্ৰকাৰীয়ে শেষাংশ ৮ পৃষ্ঠাত

# মৰিগাঁৱত অনুষ্ঠিত 'বসন্তৰ বাটচ'ৰাত বাখৰুৱা বাৰ্তালাপ'

**ই-সংবাদ, লাহৰীঘাট, ১৯ মাৰ্চঃ** শৈক্ষিক গোট, দিবৈচাৰ উদ্যোগত কালি মৰিগাঁও জিলা শিক্ষা বিভাগৰ ঐতিহ্য ভৱনৰ বাকৰিত 'বসন্তৰ বাটচ'ৰাত বাখৰুৱা বাৰ্তালাপ' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। শিক্ষক তথা বাঁহীবাদক ভাৰত বৰাই শেষাংশ ৮ পৃষ্ঠাত

# টিনপাটৰ ঘৰৰ ছাদৰ পৰা পৰি মিস্ত্ৰীৰ মৃত্যু

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ মাৰ্চঃ** পুলিবৰ ডেকা গাঁও নিৱাসী ৰঞ্জিত হাতীবৰুৱা নামৰ মিস্ত্ৰীজনৰ কালি টিনপাটৰ ঘৰৰ আচ্ছাদনৰ পৰা পৰি মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে, ডেকা শেষাংশ ৭ পৃষ্ঠাত



চেঁচা নদীৰ ওপৰত দলঙৰ আধাৰশিলা স্থাপম কৰি বিধায়ক বিনোদ হাজৰিকাৰ প'জ, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

## ৯ বছৰত ৯৭,৯৪৯ খন আবেদনৰ ৬৫,৭৩৯ খনেই নাকচ

# ভেঁকোভাওনাত পৰিণত নিয়োগ আঁচনি

**ই-সংবাদ, নলবাৰী, ১৯ মাৰ্চঃ** নিৰনুবাক ঋণৰ জৰিয়তে উদ্যোগীকৰণ, কৰ্ম সংস্থাপন দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা প্ৰাইম মিনিষ্টাৰ এমপ্লইমেণ্ট জেনেৰেশ্যন প্ৰগ্ৰেম চমুকৈ পি এম ই জি পি আঁচনি ৰূপায়ণ চৰম ভেঁকোভাওনাত পৰিণত হৈছে। জানিব পৰা মতে ২০০৮ চনৰ আগষ্ট মাহত তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰে দেশত প্ৰৱৰ্তন কৰা এই অভিলাসী আঁচনি শেষাংশ ৭ পৃষ্ঠাত

# চেঁচা নদীৰ ওপৰত হ'ব দলং, বিধায়কে স্থাপন কৰিলে আধাৰশিলা

## ব্ৰিটিছৰ ভৰষাতে আছিল কেইবা হাজাৰ লোক

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ মাৰ্চঃ** ব্ৰিটিছৰ দিনতে নিৰ্মাণ কৰা এখন জৰাজীৰ্ণ দলঙেই আছিল শেষ ভৰষা। ব্ৰিটিছৰ দিনৰ দলঙৰ বাবে কেইবা হাজাৰ লোকে যমৰ-যাতনা ভোগ কৰি আহিছিল। বিগত দুটা দশক ধৰি ৰাইজে ব্ৰিটিছৰ দিনৰ দলংখনৰ ঠাইত এখন পকী দলং নিৰ্মাণ কৰি দিবলৈ অনুৰোধ জনাই আহিছিল যদিও কোনো এজন জনপ্ৰতিনিধিয়ে গুৰুত্ব নিদিয়াত ৰাইজে অলেখ কষ্টৰ মাজেৰে যাতায়াত কৰিবলগীয়া হৈছিল। কিন্তু ৰাইজৰ দুটা দশকৰ দাবী পূৰণ কৰিলে শেষাংশ ৮ পৃষ্ঠাত

# লাহৰীঘাটত পিএমএৱাই-জিৰ অনুমোদন পত্ৰ বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ১৯ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিতো আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত হিতাধিকাৰীসকলক গৃহ অনুমোদন পত্ৰ প্ৰদানৰ শুভাৰম্ভ কৰা হয়। সেই অনুসৰি লাহৰীঘাট বিধানসভা শেষাংশ ৭ পৃষ্ঠাত

## ২৩ মাৰ্চত গোঁসাইগাঁৱত সমাৰেশ

# সাংবিধানিক স্বীকৃতি লাগে কমতাপুৰী ভাষাৰ

**ই-সংবাদ, তামুলপুৰ, ১৯ মাৰ্চঃ** কোচ বিহাৰ ৰাজ্য পুনৰ গঠন, কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা আৰু কমতাপুৰী ভাষাক ভাৰতীয় সাংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্ত কৰাৰ দাবীত অহা ২৩ মাৰ্চত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱত বিশাল গণ সমাৰেশৰ আয়োজন কৰিছে কমতাপুৰ ৰাজ্য দাবী পৰিষদে। বিশাল গণ সমাৰেশত তামুলপুৰ জিলাৰ কমতাপুৰবাসী ৰাইজক উপস্থিত থাকিবলৈ সংবাদমেল যোগে আহ্বান জনায় কমতাপুৰ ৰাজ্য দাবী তামুলপুৰ জিলা সমিতিয়ে। গণ সমাৰেশৰ জৰিয়তে কমতাপুৰ ৰাজ্য শেষাংশ ৮ পৃষ্ঠাত

# পদত্যাগ নকৰিব! মতিউৰ ৰহমানক দল-সংগঠনৰ অনুৰোধ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৯ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ টিৰাপত খিলঞ্জীয়া চিংফৌ ৰজা কথা গাম চিংফৌৰ বংশধৰ চেংগাম চিংফৌৰ ৩২ বিঘা মাটি নেপালী, বিদেশী-বহিৰাগতই দখল কৰি মাটিৰ গৰাকীকেই মিছা অভিযোগত পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ কৰাইছিল। এতিয়াও এই মাটি দখলৰ ঘটনাৰ মীমাংসা চৰকাৰে কৰা নাই। অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদৰ



আধাৰত খিলঞ্জীয়া জনগোষ্ঠীসমূহক সজাগ কৰি অধিকাৰ প্ৰতিষ্ঠাৰ বাবে যুঁজ চলাই আছে একমাত্ৰ চিন্তাবিদ তথা অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে। আছু আৰু অসম শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভেঁকোভাওনাত পৰিণত নিয়োগ আঁচনি

ৰূপায়ণৰ ক্ষেত্ৰত অসমত নিবনুৱাক ঋণ প্ৰদানত বেংকে চৰম অনীহা প্ৰকাশ কৰে। ফলত চৰকাৰে ৰাজ্যখনত যি নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে, তাত শোচনীয়ভাৱে ব্যৰ্থ হোৱা ৰাজ্যবোৰৰ ভিতৰত সদায়ে অসম শীৰ্ষত থাকে। উল্লেখ্য, ৰাজ্যৰ এখন-দুখন জিলা নহয়, প্ৰায়বোৰ জিলাতে প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি নামৰ এই আঁচনিখনত দ্বাৰা আবেদন কৰা নিবনুৱাক ঋণ দিবলৈ ৰাজ্যত ব্যৱসায় কৰি থকা বেছিভাগ বেংকেই আগ্ৰহী নহয়। জানিব পৰা মতে, গ্ৰামাঞ্চলত ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে ৰূপায়ণ কৰা হৈছিল এই পি এম ই জি পি আঁচনিখন। কেন্দ্ৰীয়ভাৱে খাদী আৰু গ্ৰামোদ্যোগ আয়োগে ন'ডেল বিভাগ হিচাপে চোৱা, অসমত এই আঁচনিখনৰ দায়িত্বত ৰাজ্যিক স্তৰত খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ড আৰু জিলা পৰ্যায়ত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ দ্বাৰা ৰূপায়ণ কৰা হয়। আঁচনিখনৰ অধীনত নিবনুৱাই উদ্যোগ স্থাপনৰ বাবে অথবা উদ্যোগ সম্প্ৰসাৰণৰ বাবে আবেদন জনায়। এই আঁচনিৰ জৰিয়তে উদ্যোগ স্থাপন কৰা উদ্যোগীক চৰকাৰে ৩৫ শতাংশ ছাবছিডি প্ৰদান কৰাৰ ব্যৱস্থা আছে। বেংকৰ ঋণ প্ৰদানত অনীহাৰ বাবেই আবেদনকাৰীয়ে চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হৈ অহা দেখা গৈছে। প্ৰণিধানযোগ্য যে সংশ্লিষ্ট বিভাগে এই আবেদন নিৰীক্ষণ কৰি ঋণৰ বাবে বেংকলৈ প্ৰেৰণ কৰে আৰু চৰকাৰে যথা সময়ত উদ্যোগীক ৰাজসাহায্য প্ৰদান কৰে। এনেদৰে বছৰি সংশ্লিষ্ট বিভাগে আবেদনকাৰীৰ নাম বেংকলৈ প্ৰেৰণ কৰি আহিছে যদিও বেংকে বিভিন্ন অজুহাত দেখুৱাই আবেদনকাৰীক বিমুখ কৰি আহিছে। নলবাৰী জিলাতো বছৰি শ শ আবেদনকাৰী নিবনুৱাক জিলাখনৰ চহৰৰ আৰু গাঁও অঞ্চলৰ প্ৰায়ভাগ বেংকেই বিভিন্ন অজুহাত দেখুৱাই নাকচ কৰি আহিছে। প্ৰাপ্ত তথ্য মতে ২০১৬ চনৰ পহিলা এপ্ৰিলৰ পৰা চলিত ২০২৫ চনৰ ৮ ফেব্ৰুৱাৰীলৈ সংশ্লিষ্ট বিভাগে অসমত ব্যৱসায় কৰি থকা বেংকলৈ মুঠ ৯৭,৯৪৯খন আবেদনসহ প্ৰস্তাৱ প্ৰেৰণ কৰিছে যদিও ইয়াৰে বেংকসমূহে ৬৫,৭৩৯ খন আবেদন বাতিল কৰিছে। ২০২৩-২৪ চনত মুঠ আবেদন ১১,৫৯৫ খনৰ ৭০৬১ খন আৰু ২০২৪-২৫ চনত মুঠ আবেদন ৯,৫৯৮ খনৰ ৪,৫৩৫ খন আবেদন বেংকৰ দ্বাৰা নাকচ হৈছে ৰাজ্যত। এইক্ষেত্ৰত আবেদনকাৰী নিবনুৱা তথা উদ্যোগীৰ স্বাৰ্থত চৰকাৰ আৰু প্ৰশাসনে বিশেষ নজৰ নিদি কেৱল গতানুগতিকভাৱে প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনিখন বৰ্তাই ৰখা বুলি চৰ্চিত হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পদত্যাগ নকৰিব! মতিউৰ ৰহমানক

চৰকাৰে এই চনদৰ বিৰোধিতা কৰি ছুপ্ৰিম ক'ৰ্টত শপতনামা দি থৈছে। আন ৰাজনৈতিক আৰু সামাজিক সংগঠনবোৰেও এই চনদ সম্পৰ্কে নিমাত হৈ আছে। অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহক ধ্বংস কৰিবলৈ চলি থকা দীঘলীয়া প্ৰচেষ্টাত দুটামান টকাৰ লোভত জড়িত হৈ পৰিছে এচাম খিলঞ্জীয়া ব্যক্তি আৰু সংগঠন। ব্যক্তিস্বাৰ্থৰ বাবেই এনে এচাম নিকৃষ্ট খিলঞ্জীয়া লোকেই তিনিচুকীয়া জিলাৰ বিভিন্ন ঠাইত খিলঞ্জীয়া যুঁজাৰু মতিউৰ ৰহমানক গালি-গালাজ পাৰি অপদস্থ কৰি, ভাবুকি দি খিলঞ্জীয়াৰ সুৰক্ষা সংগ্ৰামখন বাধাগ্ৰস্ত কৰিবলৈ উঠি-পৰি লাগিছে। সদৌ অসম বৌদ্ধ মহাসভাৰ সভাপতি জ্ঞানপাল মহাথেৰে মতিউৰ ৰহমানক আজি এক পত্ৰত উল্লেখ কৰিছে এনেদৰে-- এচাম জাতিদ্ৰোহীয়ে আপোনাক অপমান কৰা আৰু ভাবুকি দিয়া বাবেই মানসিক কষ্ট পাইছে বুলি উপলব্ধি কৰিছো। সেয়ে আপুনি খিলঞ্জীয়াৰ সুৰক্ষা সংগ্ৰামৰপৰা স্বেচ্ছাই অব্যাহতি লৈছে আৰু মহাসংঘৰ কাৰ্যকৰী সভাপতি পদৰ পৰাও পদত্যাগ কৰিছে বুলি জানিব পাৰি গভীৰ দুখ পাইছো। অপদস্থ কৰা আৰু ভাবুকি দিয়া ব্যক্তি আৰু সংগঠনসমূহক তীব্ৰ গৰিহণা দিয়াৰ লগতে ভৱিষ্যতে তেনে নকৰিবলৈ সতৰ্ক কৰি দিছো। আপোনাৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে। আপুনি খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ হৃত শাসন ক্ষমতা আৰু ভূ-সম্পদৰ অধিকাৰ আদি সকলো পুনৰ সবল ৰূপত প্ৰতিষ্ঠা কৰিবলৈকে গণতান্ত্ৰিক আৰু আইনী যুঁজ চলাই আছে। খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত আপোনাৰ দৰে দ্বিতীয় এগৰাকী ব্যক্তি দেখা নাই। সেয়ে আপোনাক পদত্যাগ-পত্ৰ প্ৰত্যাহাৰ কৰি পুনৰ খিলঞ্জীয়াৰ সুৰক্ষা সংগ্ৰামৰ নেতৃত্ব ল'বলৈ সবিনয়ে অনুৰোধ জনালোঁ। চিংফৌ জাতীয় পৰিষদৰ সভাপতি চেংগাম লাগ্ৰাম, টাই তুৰুং জাতীয় পৰিষদ (অসম)ৰ সভাপতি চানো শ্যাম, টাংছা নগা জাতীয় পৰিষদৰ উপ-সভাপতি তেহন হাখুন, টিৱাপ স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিৰ সভাপতি বিছা মুং দাং চিংফৌ আৰু সাধাৰণ সম্পাদক পল্লৱ শ্যাম ৰাইলুং, সদৌ অসম টাইফাকে জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি আইমৌন ছাখাপ, সদৌ মানটাই ভাষী ছাত্ৰ সন্থাৰ সভাপতি চাইকেন ছাখাপ আৰু সাধাৰণ সম্পাদক উদ্যম তুৰুং, দেউৰী সংগ্ৰাম সমিতিৰ সভাপতি প্ৰদীপ দেউৰী, টাই খামতি জাতীয় পৰিষদৰ সভাপতি ৰজত নামচুম গোহাঁই, সদৌ অসম টাই খাময়্যাং জাতীয় পৰিষদৰ সভাপতি ড° নৰেন্দ্ৰ নাথ শ্যাম, ৰাভা জাতীয় যুৱ পৰিষদৰ সভাপতি ৰত্নেশ্বৰ ৰাভা আৰু সাধাৰণ সম্পাদক অশোক ৰাভা, সদৌ মিচিং জ্যেষ্ঠ নাগৰিক সন্থাৰ উপ-সভাপতি ফণী টায়েং আদি বিভিন্ন জনগোষ্ঠীৰ জাতীয় সংগঠনে মতিউৰ ৰহমানক পদত্যাগ-পত্ৰ প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# টিনপাটৰ ঘৰৰ ছাদৰ পৰা পৰি মিস্ত্ৰীৰ

গাঁৱৰে দাবু গগৈৰ ঘৰৰ টিনপাট কেইখনমান সলনি কৰিবৰ বাবে ৰঞ্জিত হাতীবৰুৱাক মিস্ত্ৰী হিচাপে কামত লগাইছিল। টিনপাট সলনিৰ বাবে ঘৰৰ ওপৰত উঠি কাম কৰি থাকোঁতেই ৰুফিঙৰ পৰা ৰঞ্জিত হাতীবৰুৱা মজিয়াত পৰে। দিনৰ প্ৰায় ৯.৩০ বজাত ঘটনাটো সংঘটিত হোৱাত ততাতৈয়াকৈ মিস্ত্ৰী ৰঞ্জিত হাতীবৰুৱাক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। কাণেদি ৰক্তক্ষৰণ হৈ থকা ৰঞ্জিত হাতীবৰুৱাৰ মূৰ ফটাৰ লগতে বুকুৰ কামিহাড় ভগা বুলি চিটিস্কেনত প্ৰমাণিত হয়। বিয়লি প্ৰায় ৪ বজাত চিকিৎসাধীন অৱস্থাতে ৰঞ্জিত হাতীবৰুৱাই শেষ নিঃশ্বাস ত্যাগ কৰে। ১৯৮১ চনৰ ৫ জুনত জন্মগ্ৰহণ কৰা ৰঞ্জিত হাতীবৰুৱাই পিতৃ-মাতৃ, পত্নী, হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া আৰু দ্বিতীয় শ্ৰেণীত অধ্যয়নৰত দুগৰাকী কন্যা, ভাতৃ, বোৱাৰীসহ আত্মীয়সকলক এৰি থৈ গৈছে। মৰণোত্তৰ পৰীক্ষাৰ পাছত আজি ৰঞ্জিত হাতীবৰুৱাৰ মৃতদেহ পৰিয়ালৰ লোকক চমজাই দিয়ে। শোকাকুল পৰিৱেশত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া নিজা ভূমিতে সম্পন্ন কৰা হয়। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে পুলিবৰ থানাৰ অধীনস্থ আই এছ বি টি পি পি-ত এজাহাৰ দাখিল কৰিছে। একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তিজনৰ আকস্মিকভাৱে মৃত্যু হোৱাত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালটোৰে দিক্-বিদিক্ হেৰুৱাই পেলাইছে। পৰিয়ালটোৰে যাতে কিছু সকাহ পায় তাৰ বাবে যোৰহাট জিলা প্ৰশাসনক দৰিদ্ৰ পৰিয়ালটোক সাহায্য প্ৰদান কৰিবলৈ স্থানীয় লোকসকলে আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লাহৰীঘাটত পিএমএৱাই-জিৰ

সমষ্টিৰ ৬৮৭৩ গৰাকী হিতাধিকাৰীলৈ অনুমোদন পত্ৰ আগবঢ়োৱা হৈছে। লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত হিতাধীকাৰীসকলক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰাৰ বাবে লাহৰীঘাট উন্নয়ন খণ্ড কাৰ্যালয়ৰ খেলপথাৰত অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ ভাষণত কয় যে আজি অনুমোদন পত্ৰ লাভ নকৰা যোগ্য হিতাধিকাৰীসকল হতাশ হোৱাৰ কোনো প্ৰয়োজন নাই। কৰে। অনুষ্ঠানত লাহৰীঘাটৰ সমজিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা, সহকাৰী আয়ুক্ত প্ৰমোদ শৰ্মা আৰু নম্ৰতা চাহু, লাহৰীঘাটৰ চক্ৰ বিষয়া বিকাশ চেত্ৰী আৰু ভুৰাগাঁৱৰ চক্ৰ বিষয়া (স) মৃদুল নাথ উপস্থিত থাকে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জিলা পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, সমজিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আৰু ভালেসংখ্যক হিতাধিকাৰী উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## মৰিগাঁৱত অনুষ্ঠিত ‘বসন্তৰ বাটচ’ৰাত

বাঁহীবাদন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা দিবৈচাৰ উপদেষ্টা অপূৰ্ব ঠাকুৰীয়াই আদৰণি ভাষণ আগবঢ়াই উত্তৰ পুৰুষক বৌদ্ধিকভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা বুলি উল্লেখ কৰি কবিতা পাঠ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক তথা নিবন্ধকাৰ মিলেশ্বৰ পাতৰে কয় যে, বৌদ্ধিক অনুশীলনে মানুহৰ জীৱন সমৃদ্ধ কৰে। বৌদ্ধিক অনুশীলনৰ বাবে এনেধৰণৰ ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰাটো প্ৰশংসনীয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মা, সমাজকৰ্মী অতনু শৰ্মা আৰু মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক খগেন মহন্তই বক্তব্য আগবঢ়াই শৈক্ষিক গোট, দিবৈচাৰ পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ড০ সংগীতা বৰঠাকুৰে কবিতা আবৃত্তি কৰাৰ লগতে শিক্ষক-শিল্পী দিঠক কোঁৱৰ আৰু কমল চন্দ্ৰ নাথে গীত পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট কবি মনোজ কুমাৰ দেওৰজা, চন্দন গোস্বামী, প্ৰজ্ঞান জ্যোতি, মাধৱ চন্দ্ৰ ডেকা, নৱ ৰাজন, তৃষ্ণা গগৈ, চেনেহী ডেকা, জিলা আঁচনি বিষয়া ৰোহিনী দত্ত, প্ৰালোচক বৰ্ষা বৰা, কবি জৰ্জিনা বেগম, ৰীতা মিশ্ৰ, দীপামণি দেৱী, হীৰক জ্যোতি নাথ, দিবৈচাৰ সম্পাদক দেৱজিৎ ডেকা, সহকাৰী সম্পাদক নাহৰিন চুলতানা, সমন্বয়ক ৰাজু মেধি প্ৰমুখ্যে কেইবাগৰাকীও শিক্ষক-কবিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানত মৰিগাঁও জিলাৰ শৈক্ষিক গোট, দিবৈচাৰ সমন্বয়ক যুৱ শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। শিক্ষক ৰাজীৱ চহৰীয়াই অনুষ্ঠানৰ আঁত ধৰে। উল্লেখ্য যে, অনুষ্ঠানত কবি নৱ ৰাজন আৰু তৃষ্ণা গগৈয়ে শিক্ষা বিভাগৰ 'সাঁচিপাত' পুথিভঁৰাললৈ কিতাপ আগবঢ়ায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## সাংবিধানিক স্বীকৃতি লাগে কমতাপুৰী

দাবী পৰিষদ চমুকৈ কেএছ ডিচি (KSDC)ৰ দাবী KLO ৰ অধ্যক্ষ জীৱন সিংহ কোচ আৰু KLO(KN)ৰ অধ্যক্ষ ডি এল কোচৰ নেতৃত্বত চুক্তি স্বাক্ষৰ কৰি কোচ বিহাৰ ৰাজ্য পুনৰ গঠন, কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা আৰু কমতাপুৰী ভাষাক ভাৰতীয় সাংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্ত কৰাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰেৰণ কৰিব বুলিও সংবাদমেলত সদৰি কৰে। আজিৰ এই সংবাদমেল উপস্থিত থাকে কমতাপুৰ ৰাজ্য দাবী পৰিষদ তামুলপুৰ জিলা সমিতিৰ উপ-সভাপতি অবিনাশ বৰ্মন, সম্পাদক কাৰ্তিক বৰ্মন, সহঃ সম্পাদক নিত্যনন্দ বৰ্মন, তামুলপুৰ ব্লকৰ কেইবাগৰাকীও বিষয়ববীয়া।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## চেঁচা নদীৰ ওপৰত হ’ব দলং, বিধায়কে

লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ মদাৰখাত গোহাঁই গাঁও-গোদাবাহাৰ পথত চেঁচা নদীৰ ওপৰত থকা ব্ৰিটিছৰ দলঙৰ ঠাইত এখন নতুন পকী দলং নিৰ্মাণ কৰিবলৈ আজি আধাৰশিলা স্থাপন কৰা হয়। কেৱল দলংখনেই নহয় পথটোও একেলেগে নিৰ্মাণ কৰা হ’ব। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ এছঅ’পিডি-জি আঁচনিৰ অধীনত লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰিবলগীয়া পকী পথ আৰু দলঙৰ আজি শিলান্যাস কৰে লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। প্ৰায় ৭ কৌটি টকাৰ পথ-দলং নিৰ্মাণ কৰা হ’ব। মদাৰখাত গোহাঁই গাঁৱৰ পৰা গোদাবাহাৰ পথৰ চেঁচানদীৰ ওপৰত নিৰ্মাণ হ'বলগীয়া পকী দলংসহ সংযোগী পথৰ শিলান্যাস কৰে বিধায়কগৰাকীয়ে। উল্লেখ্য যে, দেশ স্বাধীন হোৱাৰ ৭৬ বছৰ পাৰ হ’ল যদিও পথসহ দলঙখন নিৰ্মাণ নকৰাত ব্ৰিটিছৰ ভৰষাতে আজিও চলি আছিল কেইবা হাজাৰ লোক। দেশ স্বাধীনতা পোৱা পিছৰ সময়ছোৱাত গঠন হোৱা চৰকাৰসমূহে জৰাজীৰ্ণ পথটো নিৰ্মাণ কৰা নাছিল। দলংখনৰ ওপৰেৰে অহা-যোৱা কৰাত বহু সমস্যাত পৰিছিল স্থানীয় ৰাইজ। চৰকাৰ আহে আৰু যায়, কিন্তু মদাৰখাত গোহাঁই গাঁৱৰ পৰা গোদাবাহাৰ পথৰ চেঁচা নদীৰ ওপৰত দলংখন নিৰ্মাণ নহয়হে নহয়। পথ-দলং নিৰ্মাণ নকৰাত চৰকাৰৰ প্ৰতি প্ৰচণ্ড ক্ষোভ আছিল ৰাইজৰ। কিন্তু ৰাইজৰ ক্ষোভ যেন আজিৰে পৰা মৰিষণ হ’ল। স্থানীয় বিধায়ক বিনোদ হাজৰিকাৰ প্ৰচেষ্টাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে পথ-দলংখন নিৰ্মাণৰ বাবে প্ৰায় ৭ কৌটি টকা অনুমোদন দিছে। আজি আধাৰশিলা কৰা পিছত মদাৰখাতবাসী ৰাইজে স্থানীয় বিধায়ক বিনোদ হাজৰিকা আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ধেমাজিত অনুষ্ঠিত হ’ব কোঁচ সন্মিলনীৰ

ৰাজনৈতিক সুবিধা লাভৰ আশাত কোচ জনগোষ্ঠীক বিলুপ্ত কৰিবলৈ ৰাজবংশী জাতিৰ নাম জড়িত কৰি অতীতৰ বুৰঞ্জীকে বিকৃত কৰাৰ অপচেষ্টা চলাইছে। স্বকীয় ভাষা, কৃষ্টি-সংস্কৃতি, নৃত্য-গীত, সামাজিক ৰীতি-নীতি, সাজপাৰ, আ-অলংকাৰ আদিৰে সমৃদ্ধ কোচ জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষা কৰিবলৈ ১৯৮৮-৮৯ চনতে সদৌ অসম কোচ সন্মিলনৰ প্ৰতিষ্ঠা হৈছিল। কোচ জনগোষ্ঠীৰ অস্তিত্ব সুৰক্ষিত কৰাৰ প্ৰচেষ্টা অংশ স্বৰূপে সদৌ অসম কোচ সন্মিলনৰ ৩৬ সংখ্যক বাৰ্ষিক অধিৱেশনখন এইবাৰ ধেমাজি জিলা কোচ সন্মিলনৰ উদ্যোগত নিলখ অঞ্চলৰ কেন্দ্ৰস্থল নিলখ হাইস্কুল খেলপথাৰ, বীৰ চিলাৰায় সমন্বয় ক্ষেত্ৰত ২১, ২২ আৰু ২৩ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। এই কথা জানিবলৈ দিয়ে সদৌ অসম কোচ সন্মিলন আৰু অভ্যৰ্থনা সমিতিয়ে। অধিৱেশনখনিৰ লগত সংগতি ৰাখি তিনিদিনৰ কাৰ্যসূচীত প্ৰথম দিনা গংগা আমন্ত্ৰণ আৰু বন্তি প্ৰজ্বলন কোচ গাভৰু মহিলাৰ দ্বাৰা কৰা হ’ব। তাৰ পিছতে গছপুলি ৰোপণ, স্মৃতি তৰ্পণ, প্ৰতিনিধিৰ নাম পঞ্জীয়ন, বাণিজ্য মেলা আৰু গ্ৰন্থ বিপণীৰ দ্বাৰ উন্মোচন, ভোজনালয় দ্বাৰ উন্মোচন, প্ৰতিনিধি শিবিৰ উন্মোচন, ৰাজ্যিকৰ কাৰ্যকৰী সভা(প্ৰতিনিধি শিবিৰত), মূল মঞ্চ উদ্বোধন, স্মৃতিগ্ৰন্থ উন্মোচন, কোচ জাতীয় সংগঠনসমূহৰ অন্তৰংগ আলাপ আৰু সন্ধিয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হ’ব। দ্বিতীয় দিনা পুৱা এক আলোচনা চক্ৰ আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ’ব। অনুষ্ঠানত সদৌ অসম কোচ মহিলা পৰিষদৰ ‘মহিলা সৱলীকৰণৰ প্ৰাসংগিকতা আৰু আমাৰ ভৱিষ্যত প্ৰজন্ম’ আৰু বিয়লি ‘উত্তৰ পূৰ্বাঞ্চলৰ নৃগোষ্ঠীয় কোচ সকলৰ পৰিচয়, সামাজিক আৰু সাংস্কৃতিক সংকট’ শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ’ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে ‘শকুনিৰ প্ৰতিশোধ’ নাটৰ আধাৰত সম্পাদিত নাট্যৰূপ প্ৰদৰ্শন কৰা হ’ব। শেষৰ দিনা অনুষ্ঠিত হ’ব সাংস্কৃতিক শোভাযাত্ৰা। ইয়াৰ পিছতে মুকলি সভা অনুষ্ঠিত হ’ব। উক্ত সভাত সদৌ অসম কোচ সন্মিলনীৰ কেন্দ্ৰীৰ বিষয়ববীয়া আৰু বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## সৰুপথাৰত ৩৮০০ হিতাধিকাৰীৰ

স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে হিতাধিকাৰীসকলৰ মাজত বিতৰণ কৰে আৱণ্টন পত্ৰ। পিএমজি আঁচনিৰ অধীনত গৃহ লাভ কৰা ৩৮০০ হিতাধিকাৰীৰ মাজত আৱণ্টন পত্ৰ বিতৰণ কৰে বুলি জানিব পৰা গৈছে। অনুষ্ঠানটোত গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ অন্তৰ্গত মুঠ ২১ খন পঞ্চায়তৰ হিতাধিকাৰীক প্ৰ-পত্ৰ আনুষ্ঠানিকভাৱে বিধায়ক বিশ্বজিৎ ফুকনে প্ৰদান কৰে। তদুপলক্ষে অনুষ্ঠিত কৰা অনুষ্ঠানটোত সৰুপথাৰ সমজিলা আয়ুক্ত ৰাজবিৰ চৌহানী, খণ্ড উন্নয়ন বিষয়াসহ প্ৰশাসনীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অবৈধ হিন্দুক সন্তুষ্ট কৰিবলৈ

উত্থাপন কৰিছে। উৎপল শৰ্মাই কয় যে ৰাজ্যভৱনৰ উদ্যোগত কোনো ৰাজ্যৰ স্থাপনা দিৱস পালন কৰা আৰু কোনো ৰাজনৈতিক দলৰ উদ্যোগত কোনো ৰাজ্যৰ স্থাপনা দিৱস পালন কৰা দুয়োটা পৃথক বিষয়। ভাৰতবৰ্ষৰ একাত্মতাক প্ৰতিফলিত কৰিবলৈ অসমে অন্য ৰাজ্যৰ স্থাপনা দিৱস পালন কৰিব পাৰে। আন আন ৰাজ্যসমূহে অসম দিৱস পালন কৰে। ৰাজভৱনে পালন কৰা এনে দিৱসক লৈ কেতিয়াও মানুহে বিতৰ্কৰ সৃষ্টি কৰা নাই। কিন্তু তিনিচুকীয়াত বিহাৰী সম্প্ৰদায়ৰ ব্যক্তি বেছিকৈ থকা বাবে ৰাজনৈতিক উদ্দেশ্যেৰে আৰু ভোট বেংক সৃষ্টি কৰিবলৈ তিনিচুকীয়াত বিহাৰ দিৱস আয়োজন কৰিবলৈ আৰম্ভ কৰিছে। এয়া গ্ৰহণযোগ্য নহয়। তিনিচুকীয়াত বিহাৰী সম্প্ৰদায়ৰ লোক বেছিকৈ আছে বাবে বিহাৰ দিৱস পালন কৰিব। কাইলৈ কৰবাত মাৰোৱাৰী বেছিকৈ আছে বাবে ৰাজস্থান দিৱস আয়োজন কৰিব। এয়া সাম্প্ৰদায়িক তুষ্টিকৰণ। এই জনগোষ্ঠীসমূহক অসমৰ সমাজ জীৱনত জীন যোৱাত বিজেপি হেঙাৰ হিচাপে থিয় দিছে। বিজেপিয়ে সকলোকে ভাগ ভাগ কৰিব বিচাৰিছে। এনে বিজতৰীয়া চিন্তাক কলিতে মোহাৰিব লাগিব। অন্যথাই অবৈধ হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদান কৰা এই দলটোৱে কোনোবা দিনা অবৈধ হিন্দুক সন্তুষ্ট কৰিবলৈ কৈ দিব যে আমি বাংলাদেশৰ মুক্তি দিৱস পালন কৰিম। সেয়া গ্ৰহণ যোগা হ'ব নোৱাৰে। ৰাজভৱনৰ কাৰ্যসূচীক লৈ কোনেও বিতৰ্ক কৰা নাই। মুখ্যমন্ত্ৰীক দুয়োটা বিষয়ক একত্ৰিত নকৰিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰিছে আছুৰ সভাপতি শৰ্মাই। আজি বহিঃৰাজ্যত কাম কৰা অসমৰ ল'ৰা বিপদত পৰিব পাৰে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্যক উভতি ধৰি উৎপল শৰ্মাই কয় যে যিসকল এনে সাম্প্ৰদায়িক, বিজতৰীয়া উৎসৱৰ উদ্যোক্তা এওঁলোক দায়বদ্ধ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে বেলেগৰ গালৈ দোষ ঠেলিব নোৱাৰিব। বিজেপিক দলক সকীয়নি প্ৰদান কৰি সভাপতি শৰ্মাই আৰু কয় যে নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ বিহাৰ দিৱস, ৰাজস্থান দিৱস, পশ্চিমবংগ দিৱস, বাংলাদেশৰ মুক্তি দিৱস পাতিব এনেধৰণৰ বিজতৰীয়া চিন্তাক অসমৰ মানুহে কোনে দিনে প্ৰশ্ৰয় দিয়া নাছিল আৰু কেতিয়াও প্ৰশ্ৰয় নিদিয়ে বুলি সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সভাপতি শৰ্মাই স্পষ্ট কৰে। উল্লেখ্য যে বিহাৰ দিৱস পালনক লৈ ইতিমধ্যে স্পষ্ট সকীয়নী প্ৰদান কৰিছে আলফা স্বাধীনেও।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাসচিব হেমন্ত কলিতাক নিলম্বন

নিলম্বন কৰিছে। বিত্তীয় খেলিমেলি ধৰা পৰাত তাৎক্ষণিতভাৱে দুয়োজনকে নিলম্বন কৰা হৈছে। বিএফআইৰ মুৰব্বী অজয় সিঙে এই কথা প্ৰকাশ কৰিছে। বিএফআইৰ মুৰব্বী অজয় সিঙে ৰাজধানী দিল্লীত এখন জৰুৰী সংবাদমেল অনুষ্ঠিত কৰি আজি কয় যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ সুধীৰ কুমাৰ জৈনৰ নেতৃত্বত এক স্বতন্ত্ৰ তদন্তৰ পিছত মহাসচিব হেমন্ত কলিতা আৰু কোষাধ্যক্ষ দিগ্বিজয় সিঙক নিলম্বন কৰা হৈছে। দুয়োজনে বিত্তীয় অনিয়ম আৰু পুঁজিৰ অপব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগত দোষী সাব্যস্ত হৈছে। দুয়োজনৰ বিৰুদ্ধে অনুমোদিত পুঁজি প্ৰত্যাহাৰ, প্ৰৱঞ্চনামূলক বিলিং আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ দাখিল কৰাত তদন্ত আৰম্ভ কৰা হৈছিল। ন্যায়াধীশ জৈনে তদন্ত সমাপ্ত কৰি প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদনত দুয়োজনকে বিত্তীয় অনিয়ম আৰু পুঁজিৰ অপব্যৱহাৰত দোষী সাব্যস্ত কৰা হৈছে। প্ৰতিবেদনত ফেডাৰেচনৰ ভিতৰত গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত ব্যক্তিৰ পৰা আশা কৰা বিশ্বাস, কৰ্তব্য আৰু দায়বদ্ধতাৰ স্পষ্ট উলংঘনৰ অভিযোগ আনে। পৰিপ্ৰেক্ষিতত ফেডাৰেচনৰ কাৰ্যকলাপৰ অখণ্ডতা আৰু স্বচ্ছতা নিশ্চিত কৰাৰ বাবে তাৎক্ষণিকভাৱে ভাৰতীয় বক্সিং ফেডাৰেচনৰ চেক্ৰেটেৰী জেনেৰেল হেমন্ত কলিতা আৰু কোষাধ্যক্ষ দিগ্বিজয় সিঙক নিলম্বিত কৰা হয়। এতিয়াৰ পৰা দুয়োজনে কোনো কৰ্তব্য পালন কৰিব বা ক্ষমতাৰ কোনো কৰ্তৃত্ব প্ৰয়োগ কৰিব নোৱাৰিব। আগন্তুক বিএফআই নিৰ্বাচনত সভাপতি পদৰ চাৰিজন প্ৰাৰ্থীৰ ভিতৰত হেমন্ত কলিতা এজন আছিল। অৱশ্যে কাৰ্যবাহী হিচাপে একেৰাহে দুটা চাৰি বছৰৰ কাৰ্যকাল অতিবাহিত কৰাৰ পিছত প্ৰয়োজনীয় বাধ্যতামূলক কুলিং-অফ ম্যাদৰ বাবে তেওঁৰ মনোনয়ন নাকচ কৰা হৈছিল। ইপিনে হেমন্ত কলিতাৰ বিৰুদ্ধে আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অজয় সিঙে। টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী লাভলিনা বৰগোহাঁই আৰু অসমৰ অন্যান্য বক্সাৰসকলক ২১ মাৰ্চৰ পৰা আৰম্ভ হ'বলগীয়া মহিলা ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অংশগ্ৰহণ নকৰিবলৈ কোৱা বুলি অভিযোগ আনে। অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ সম্পাদক কলিতাই লাভলিনাক আগন্তুক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অংশগ্ৰহণ নকৰিবলৈ কৈছিল। অলিম্পিক পদক বিজয়ী লাভলিনাই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰাৰ কথা বিবেচনা কৰিছে। অসমৰ খেলুৱৈসকলক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ নিৰুৎসাহিত কৰিছিল কলিতাই। লাভলিনাৰ পৰা বিষয়াসকলে এটা ফোন পাইছে যে তেওঁক হেমন্ত কলিতাই অংশগ্ৰহণ নকৰিবলৈ কৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বামীক হত্যা কৰি টুকুৰা-টুকুৰ কৰিলে

নৃশংসভাৱে হত্যা কৰিলে পত্নী আৰু প্ৰেমিকে! সমগ্ৰ দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে এই জঘন্য হত্যাকাণ্ডই। জীয়াৰীৰ দ্বাৰা সংঘটিত এই হত্যাৰ কথা জানিব পৰাৰ পিছতে স্তম্ভিত হৈ পৰিছে অভিযুক্ত মহিলাৰ পিতৃ-মাতৃও। নিজেই কন্যাক আৰক্ষীৰ হাতত গতাই দি ফাঁচীৰ শাস্তি দাবী কৰিছে পিতৃ-মাতৃয়ে। উত্তৰ প্ৰদেশৰ ইন্দিৰা নগৰত মাৰ্চেন্ট নেভীৰ বিষয়া সৌৰভ ৰাজপুতৰ হত্যাকাণ্ডই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মুস্কান ৰস্তোগীৰ সৈতে প্ৰেম বিবাহ হৈছিল সৌৰভ ৰাজপুতৰ। কিন্তু সৌৰভৰ পৰিয়ালৰ সৈতে মুস্কানৰ মনোমালিন্যৰ বাবে অৱশেষত পৰিয়ালক এৰি ভাড়াঘৰত থাকিবলৈ লৈছিল সৌৰভ-মুস্কানে। আনকি পত্নীৰ সুখৰ বাবে তেওঁ এৰি দিছিল মাৰ্চেন্ট নেভীৰ চাকৰিও। ইয়াৰ পিছত মুস্কান আন পুৰুষৰ প্ৰতি আকৰ্ষিত হয়। প্ৰেমিক চাহিল শুক্লাৰ লগত ড্ৰাগছৰ আসক্ত হৈ পৰে মুস্কান। ২০১৯ চনত সৌৰভ আৰু মুস্কানৰ এটি কন্যা সন্তান জন্ম পালেও সম্পৰ্কৰ তিক্ততাৰ অন্ত নপৰিল। কন্যাৰ ভৱিষ্যতৰ কথা ভাবি সৌৰভে ২০২৩ চনত মাৰ্চেন্ট নেভীলৈ উভতি যায়। তেওঁ আমেৰিকাৰ এটা কোম্পানীত কাম কৰি আছিল। এই মাহতে জীয়েকৰ জন্মদিনত ঘৰলৈ উভতি আহিছিল সৌৰভ। আৰু সেই সুযোগতে মুস্কান আৰু চাহিলে নৃশংসভাৱে হত্যা কৰে। আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে চাঞ্চল্যকৰ তথ্য। সৌৰভক হত্যা কৰি মৃতদেহ ১৫ টুকুৰা কৰি প্লাষ্টিকৰ ড্ৰামত ভৰাই ওপৰত চিমেণ্টৰ ঢালাই কৰি থৈছিল মুস্কান আৰু প্ৰেমিক চাহিলে। পৰৱৰ্তী সময়ত নিজৰ পিতৃ-মাতৃৰ আগত এই হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰিছিল মুস্কানে। ইয়াৰ পিছত পিতৃ-মাতৃয়ে কোনো সংকোচ নকৰাকৈয়ে নিজ কন্যাক আৰক্ষীৰ হাতত গতাই দিয়ে। তেওঁলোকৰ স্পষ্ট কথা, "সৌৰভে আমাৰ ছোৱালীজনীক অন্ধৰ দৰে ভাল পাইছিল। কিন্তু তাইৰ ভুলৰ বাবেই সিঁহতৰ পৰিয়ালটো থানবান হৈছিল। আমাৰ ছোৱালীজনীয়ে যি ভয়ংকৰ কাম কৰিছে, এটাই শাস্তি হ'ব লাগে- ফাঁচী!" ইতিমধ্যে আৰক্ষীয়ে এই চাঞ্চল্যকৰ হত্যাকাণ্ডৰ তদন্ত আৰম্ভ কৰিছে। এই হত্যাকাণ্ডই সমগ্ৰ দেশ জোকাৰি গৈছে

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# থলগিৰিৰ চোতালত বিহাৰ দিৱস

নেতাৰ উদ্যোগত তিনিচুকীয়াত বিহাৰ দিৱস পালন কৰিবলৈ ব্যাপক প্ৰস্তুতি চেলোৱাত ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনাকে ধৰি বিভিন্ন জাতীয় সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কোনো কাৰণত তিনিচুকীয়াত বিজেপিয়ে বিহাৰ দিৱাস পালন কৰিব নোৱাৰিব বুবি হুংকাৰ দিয়ে। জাতীয় দল-সংগঠনৰ ভাবুকিৰ পিছুতে উত্তেজনাই বিৰাজ কৰে তিনিচুকীয়াত। ফলত বিহাৰ দিৱসৰ অনুষ্ঠান বাতিল কৰিবলৈ বাধ্য হয় যদিও বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে। তাৰ মাজতে বিদ্ৰোহী সংগঠন আলফা স্বাধীনে বিহাৰ দিৱস পালন কৰিলে পৰিস্থিতি বিষম কৰাৰ হুংকাৰ প্ৰদান কৰিছে আলফা স্বাধীনে। অসমত বিহাৰ দিৱস পালন নকৰিবলৈ ভাবুকি প্ৰদান কৰিছে সংযুক্ত মুক্তি বাহিনী স্বাধীনে। আজি এক বিবৃতি যোগে সংযুক্ত মুক্তি বাহিনী স্বাধীনে অসমত বিহাৰ দিৱস পালন কৰিলে পৰিস্থিতি বিষম কৰাৰ ধমকি প্ৰদান কৰিছে। আলফা স্বাধীনৰ প্ৰচাৰ বিভাগৰ সহ সম্পাদক ঈশান অসমে এক বিবৃতি যোগে বিহাৰ দিৱস পালন নকৰিবলৈ স্পষ্ট কৰি দিয়ে। আলফা স্বাধীনে বিবৃতি যোগে কয় যে অসমৰ বাণিজ্যিক চহৰ তিনিচুকীয়া থলগিৰি জাতি-জনগোষ্ঠীৰ মিলনভূমি। থলগিৰিৰ বীৰ সৰ্বানন্দ সিংহৰ শৌৰ্য-বীৰ্যৰে মহিমামণ্ডিত বেংমৰা ৰাজ্য তথা আধুনিক তিনিচুকীয়া চহৰ। এনে এখন বুৰঞ্জী প্ৰসিদ্ধ চহৰত থলগিৰিৰ জাতীয় জীৱনৰ সৈতে সংপৃক্ত মহিৰূহসকলৰ নামত কোনো অনুষ্ঠান আয়োজন কৰিব নোৱাৰা কেইগৰাকীমান স্বাৰ্থপৰায়ণ থলগিৰি ব্যক্তি পুলক গোহাঁই, পুলক চেতিয়া আৰু বিধায়ক সুৰেণ ফুকন, বিধায়ক সঞ্জয় কিষাণ, শিৱজী ডুবেই দৰে ব্যক্তিৰ পৃষ্ঠপোষকতাত আগন্তুক ২২ মাৰ্চত বিহাৰ দিৱস উদযাপনৰ বাবে চলোৱা প্ৰস্তুতিয়ে থলগিৰিৰ ঐতিহ্য-সংহতি, মান-মৰ্য্যদাত আঘাত হানিছে। আনহাতে এই কাৰ্য্য থলগিৰিৰ বাবে কোনো কাৰণতেই গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি উল্লেখে কৰি আলফা স্বাধীনে কয় যে আলফা স্বাধীনে থলগিৰিৰ চোতালত বিহাৰ দিৱস উদযাপন কৰাটো কোনো কাৰণতেই সহ্য নকৰে। অনুষ্ঠানৰ সৈতে জড়িত থলগিৰি আৰু বহিৰাগত সকলোকে উক্ত কাৰ্যসূচী বাতিল কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰা হ'ল। যদি এই নিৰ্দেশনা অমান্য কৰি বিহাৰ দিৱস উদযাপন কৰাৰ মৰসাহ কৰে তেন্তে তাৰ পৰিণতি ভয়ংকৰ হ'ব আৰু তেনে এক অনাকাংক্ষিত আৰু অবাঞ্ছিত পৰিস্থিতিৰ বাবে পৃষ্ঠপোষক সকলেই দায়ী হ'ব লাগিব বুলি স্পষ্ট কৰে আলফা স্বাধীনে। তিনিচুকীয়াত বিগদত দুটা দশকত থলুৱাপ জনসংখ্যাৰ বিপৰীতে বিহাৰী লোকৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। ফলত তৃতীয় শ্ৰেণীৰ নাগৰিক হৈ পৰা থলুৱা লোকৰ ওপৰত বাৰে বাৰে আক্ৰমণ পৰ্যন্ত হয়। তাৰ মাজতে বিহাৰ দিৱস উদযাপন কৰিব খোজাত জাঙুৰ খাই উঠিছে দল-সংগঠন। সদৌ অসম ছাত্ৰ সন্থা, মৰাণ ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্থা তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা কোনো কাৰণত বিহাৰ দিৱস পালন নকৰিবলৈ হুংকাৰ প্ৰদান কৰে। আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনেও অসমত বিহাৰ দিৱস উদযাপন কৰিলে পৰিস্থিতি বিষম হ'ব বুলি সকীয়াই দিছিল। কিন্তু ইয়াৰ বিপৰীতে অসমত বিহাৰ দিৱস পালনৰ পক্ষত থিয় দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত ধৰাৰ বুকুলৈ ঘূৰি আহিল

সুনীতা উইলিয়ামছ আৰু তেওঁৰ সংগী বুচ উইলম'ৰে। আমেৰিকান পুঁজিপতি ইলন মাস্কৰ কোম্পানী স্পেচএক্সৰ ড্ৰেগন কেপচুলত উঠি নিৰাপদে পৃথিৱীলৈ উভতি আহিল তেওঁলোক। যোৱা বছৰৰ জুনত মাত্ৰ আঠটা দিনৰ বাবে মহাকাশলৈ গৈছিল সুনীতা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আঠ দিন পাৰ কৰি তেওঁলোক পুনৰ পৃথিৱীলৈ উভতি অহাৰ কথা আছিল যদিও শেষত সেয়া নহ'লগৈ। বয়িঙৰ ষ্টাৰলাইনাৰ কেপচুলত হোৱা কাৰিকৰী বিজুতিৰ বাবে বাৰে বাৰে তেওঁলোকে পৃথিৱী আগমণৰ দিন পিছুৱালৈ বাধ্য হয়। আৰু এনেদৰেই মহাকাশৰ বুকুত দিনে চাৰিবাৰকৈ সূৰ্যোদয়-সূৰ্যাস্ত দেখি তেওঁলোকে পাৰ কৰিবলগীয়া হয় ৯ টা দীঘলীয়া মাহ। অৱশেষত নাছাৰ প্ৰচেষ্টা আৰু ইলন মাস্কৰ কোম্পানী স্পেচএক্সৰ ড্ৰেগন কেপচুলে তেওঁলোকক নিজৰ মাটিলৈ ওভতাই আনে। ভাৰতীয় সময় অনুসৰি পুৱা ৩:২৭ বজাত ফ্ল'ৰিডাৰ উপকূলৰ সাগৰত অৱতৰণ কৰে ড্ৰেগন কেপচুল। লগে লগে ডলফিনৰ দল এটাই কেপচুলৰ চাৰিওফালে ঘূৰিবলৈ আৰম্ভ কৰা প্ৰত্যক্ষ হয়। এয়া যেন মহাকাশচাৰী কেইজনক পৃথিৱীৰ বুকুলৈ আদৰণি আছিল ডলফিনৰ দলৰ! ড্ৰেগন কেপচুল অৱতৰণৰ ঠিক পিছতে নিয়ন্ত্ৰণ কেন্দ্ৰৰ পৰা এটা উত্তেজিত মাত ভাহি আছে- "নিক, এলেক, বুচ, সুনি... স্পেচএক্সৰ পৰা ঘৰলৈ উষ্ম আদৰণি জনাইছো!" ইয়াৰ পিছত কমাণ্ডাৰ নিক হেগেও হাঁহি হাঁহি কয়, "সকলোৰে মুখৰ হাঁহিৰে কেপচুলটো ভৰি পৰিছে।" আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা পৃথিৱীলৈ উভতি আহিবলৈ সুনিতা, বুচ আৰু তেওঁলোকৰ সহযোগী মহাকাশচাৰীসকলক প্ৰয়োজন হৈছিল দীঘলীয়া ১৭ ঘণ্টা সময়। এই ওভতনি যাত্ৰা যিমানেই ৰোমাঞ্চকৰ আছিল, সিমানেই আছিল বিপজ্জনকো।ড্ৰেগন কেপচুলটোৱে ঘণ্টাত ১৭,০০০ মাইল বেগত গৈ থকা অৱস্থাত পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰিছিল! কিন্তু মাত্ৰ কেইটামান মিনিটৰ ভিতৰত এই গতি হ্ৰাস পায়। এই দীঘলীয়া যাত্ৰাৰ পূৰ্বে সুনীতা উইলিয়ামছ, বুচ উইলম'ৰ, নিক হেগ আৰু ৰাছিয়াৰ মহাকাশচাৰী আলেকজেণ্ডাৰ গৰ্বুনভে যোৱা মঙলবাৰে ষ্টেচনত থকা আন মহাকাশচাৰীসকলক বিদায় দিছিল। নিক আৰু গৰ্বুনভে ছমাহৰ অভিযানত মহাকাশলৈ গৈছিল যদিও সুনিতা আৰু বুচৰ বাবে এই ভ্ৰমণ অতিৰিক্ত প্ৰত্যাহ্বানজনক বুলি প্ৰমাণিত হৈছিল। যেতিয়া কেপচুলটো পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰিছিল তেতিয়া কিছু সময়ৰ বাবে মাটিৰ সৈতে বিচ্ছিন্ন হৈ পৰিছিল যোগাযোগ। পিছত পুৱা প্ৰায় ৩:২০ বজাত পুনৰ যোগাযোগ স্থাপন কৰা হৈছিল। বায়ু মণ্ডলত প্ৰৱেশৰ সময়ত কেপচুলটোক আগুৰি থকা প্লাজমা শ্বিল্ডৰ উষ্ণতা হৈ পৰিছিল ১৯২৭ ডিগ্ৰী চেলছিয়াছ! অত্যন্ত গৰমৰ বাবেই যোগাযোগ কিছু সময়ৰ বাবে হেৰাই গৈছিল। কিন্তু শক্তিশালী হিট শ্বিল্ডৰ বাবে মহাকাশচাৰীসকল সুকলমে ৰক্ষা পৰে। ঠিক ৩:২১ বজাত কেপচুলটো সম্পূৰ্ণ স্বয়ংচালিত অৱস্থাত উপনীত হয়। মহাকাশচাৰীসকলে মাত্ৰ সন্মুখৰ টাচস্ক্ৰীণত সকলো নিৰীক্ষণ কৰি আছিল। কেইমিনিটমান পিছত ৩:২৪ বজাত প্ৰথম দুটা ডাঙৰ পেৰাচুট খোল খায়, যাৰ ফলত কেপচুলটোৰ গতি হ্ৰাস পায়। সেই সময়ত এটা প্ৰচণ্ড জোকাৰণিৰ বাবে গতি অধিক হ্ৰাস পায়। তাৰ পাছত আৰু দুটা পেৰাচুট খোল খায়, যাৰ ফলত কেপচুলটো অতি লাহে লাহে সাগৰৰ মাজলৈ নামি আহে। কেপচুলটোৰে পানীত নমাৰ পিছতে স্পেচএক্সৰ উদ্ধাৰকাৰী দলটোৱে দ্ৰুতগতিত কেপচুলটোৰ কাষত উপস্থিত হয়। প্ৰথমে খৰখেদাকৈ পেৰাচুট খুলি দিয়া হয়, সেই সময়ত আকাশ সম্পূৰ্ণ পৰিস্কাৰ আছিল, নীল সমুদ্ৰৰ ডলফিনবোৰে আপোন বিভোৰ হৈ আদৰণি জনাইছিল বন্দীত্বৰ অৱসান ঘটাই উভতি অহা মহাকাশচাৰী সকলক। পিছত মাত্ৰ দুমাইল দূৰৈত ৰৈ থকা স্পেচএক্সৰ উদ্ধাৰ জাহাজলৈ ৰছী ব্যৱহাৰ কৰি সাগৰৰ পৰা নিৰাপদে কেপচুলটো তুলি লোৱা হয়। ইয়াৰ পিছত আৰম্ভ হয় মহাকাশচাৰী সকলক বাহিৰলৈ উলিয়াই অনাৰ প্ৰক্ৰিয়া। অৱশেষত ড্ৰেগন কেপচুলৰ দুৱাৰখন খোল খালে। ইয়াৰ পিছতে এক দীঘলীয়া প্ৰতীক্ষাৰ অন্তত মুক্ত আকাশৰ তলত উশাহ ল'বলৈ সুযোগ লাভ কৰে। নাছাৰ লাইভ সম্প্ৰচাৰৰ জৰিয়তে বিশ্বৰ লাখ লাখ লোকে এই শুভ মুহূৰ্তৰ সাক্ষী হৈছিল। ক্ৰু-৯ মিছনৰ কমাণ্ডাৰ নিক হেগে প্ৰথমে কেপচুলৰ পৰা ওলাই আহি কেমেৰালৈ চাই হাঁহে, তাৰ পিছত হাত জোকাৰি সকলোকে ধন্যবাদ জনায়। তাৰ পিছত সুনীতা, বুচ আৰু তেওঁলোকৰ লগৰ কেইজন এজন এজনকৈ কেপচুলৰ পৰা ওলাই আহে কেমেৰালৈ চাই সমগ্ৰ বিশ্বক অভিবাদন জনায়। নাছাৰ কমাৰ্চিয়েল ক্ৰু প্ৰগ্ৰেমৰ মেনেজাৰ ষ্টিভ ষ্টিচে কয় যে মহাকাশচাৰীসকল সুস্থ। তেওঁলোকক কিছু সময়ৰ বাবে উদ্ধাৰ জাহাজত ৰখা হ'ব, তাৰ পিছত হিউষ্টনলৈ লৈ যোৱা হ'ব। এদিনৰ পিছত পৰিয়ালক লগ কৰিবলৈ দিয়া হ'ব। ইফালে তেওঁলোকৰ চিকিৎসা পৰীক্ষা সম্পূৰ্ণ হ'ব আৰু তেওঁলোকে জিৰণি ল'বলৈ ছুটীত যাব। ইফালে, নাছাৰ মহাকাশ অভিযানৰ উপ-সঞ্চালক জোৱেল মন্টালবানোৱে কয় যে, 'সুনিতা আৰু বুচে মহাকাশত ৯০০ ঘণ্টাত ১৫০টা বৈজ্ঞানিক পৰীক্ষা চলাইছিল, যি মঙল গ্ৰহৰ পৰ্যালোচনাৰ বাবে সহায়ক হ'ব।'

## অসমৰ ওপৰত বিহাৰ-উত্তৰ প্ৰদেশৰ সংস্কৃতি জাপি দিয়াৰ অপচেষ্টা নকৰিব

# বিজেপি চৰকাৰক লুৰীণজ্যোতি গগৈৰ সকীয়নি

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ মাৰ্চঃ** অসমৰ ওপৰত বিহাৰ-উত্তৰ প্ৰদেশৰ সংস্কৃতি জাপি দিয়াৰ অপচেষ্টা নকৰিবলৈ বিজেপি দল আৰু চৰকাৰক সকীয়াই দিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। তিনিচুকীয়াত বিজেপিৰ উদ্যোগত বিহাৰ দিৱস অনুষ্ঠিত কৰিবলৈ প্ৰয়াস চলা বিষয়টোৱে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ পাছত আজি ডিব্ৰুগড়ত সাংবাদিকসকলৰ আগত গগৈয়ে কয় যে বিজেপি শাসনলৈ অহাৰ পিছৰেপৰাই অসমত বিহাৰ-উত্তৰ প্ৰদেশৰ ভাষা-সংস্কৃতি জাপি দিবলৈ চৰকাৰে অপচেষ্টা চলাই আহিছে। বিজেপি-আৰ এছ এছৰ 'এক দেশ, এক ভাষা, এক ধৰ্ম' নীতিৰ অংশ হিচাপে বিজেপিৰ চৰকাৰে অতি কৌশলপূৰ্ণভাৱে এনে কিছুমান পদক্ষেপ গ্ৰহণ কৰি আহিছে, যাৰ দ্বাৰা হিন্দী ভাষা-সংস্কৃতিৰ বিস্তাৰ হয়। তাৰ পৰিণতিস্বৰূপে অসমীয়া ভাষা-সংস্কৃতি দুৰ্বল হৈ আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এটা সময়ত বিহাৰ-উত্তৰ প্ৰদেশত চলা লুণ্ঠন আৰু হিংসাৰ ৰাজনীতি অসমলৈ ইতিমধ্যেই



আমদানি হোৱা বুলি উল্লেখ কৰি গগৈয়ে কয় যে বিহাৰ-উত্তৰ প্ৰদেশৰ ভাষা-সংস্কৃতিৰ প্ৰতি অসমীয়া মানুহৰ কোনো বেয়াভাব নাই, বৰং একেখন দেশৰ পৃথক ৰাজ্যৰ ভাষা-সংস্কৃতিৰ প্ৰতি অসমৰ মানুহৰ সহোদৰসুলভ মানসিকতা আছে। কিন্তু সেই উদাৰতাৰ বিনিময় অসমীয়া মানুহৰ নিজৰ ভাষা-সংস্কৃতিৰ বলি দিয়াটো হ'ব নোৱাৰে। গগৈৰ মতে, বিগত কেইবাটাও দশক ধৰি অসমত অসমীয়াভাষী লোকৰ সংখ্যা হ্ৰাস পাই আহিছে। প্ৰতি দহ বছৰত অসমীয়াভাষী লোকৰ সংখ্যা পাঁচ শতাংকৈ হ্ৰাস পোৱা বুলি লোকপিয়লৰ তথ্যত প্ৰকাশ পাইছে। এনে অৱস্থাত, অসমত বসবাস কৰা অন্য ৰাজ্যৰ বাসিন্দাসকলে যাতে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ আৰু চৰ্চা কৰে, তাৰবাবে চৰকাৰে এটা সমন্বয়ৰ পৰিৱেশ ৰচনা কৰিব লাগিছিল। কিন্তু তাকে নকৰি অসমৰ মাটিত বিহাৰ-উত্তৰ প্ৰদেশৰ ভাষা-সংস্কৃতি চৰ্চাৰ পৰিৱেশ ৰচনাৰ লগে লগে অসমীয়া ভাষা-সংস্কৃতি চৰ্চাৰ মানসিকতা হ্ৰাস হ'ব। তিনিচুকীয়াত বিহাৰ দিৱস পাতিবলৈ লোৱাটো বিজেপিৰ আধিপত্যবাদী চিন্তাৰ প্ৰতিফলন বুলি উল্লেখ কৰি গগৈয়ে কয় যে বিজেপি দলে অসমৰ জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দি অসমত ক্ষমতালৈ আহিছিল, বিহাৰৰ ভাষা-সংস্কৃতি বিকাশৰ বাবে অসমৰ ৰাইজে বিজেপিক ভোট দিয়া নাছিল। গতিকে অসমৰ মানুহ আৰু ইয়াৰ ভাষা-সংস্কৃতিৰ বিকাশৰ চেষ্টা কৰাটোহে বিজেপি চৰকাৰৰ দায়িত্ব।

# বিটিআৰত ৩২,৮৫৯ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ

**ই-সংবাদ, কোকৰাঝাৰ, ১৯ মাৰ্চঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণৰ অধীনত ৰাজ্যজুৰি ৩,৮৮,৩৫৮ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ দিয়াৰ সমান্তৰালভাৱে বিটিআৰতো আজি সৰ্বমুঠ ৩২,৮৫৯ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। কোকৰাঝাৰত হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ বিতৰণ আনুষ্ঠানিকভাৱে বিতৰণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। এই সন্দৰ্ভত কোকৰাঝাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয় প্ৰাংগণত আয়োজিত এক অনুষ্ঠানৰ যোগেদি কোকৰাঝাৰৰ কেবাগৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে প্ৰমোদ বড়োৱে। অনুমোদন-পত্ৰ বিতৰণ কৰি হিতাধিকাৰীসকলক অভিনন্দন জ্ঞাপন কৰিছে প্ৰমোদ বড়োৱে। এতিয়াৰেপৰা তেওঁলোকে পৰিয়ালৰ স'তে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত লাভ কৰা আৱাসগৃহত সুৰক্ষিতভাৱে থাকিব পাৰিব বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাসৰ প্ৰতিও আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে প্ৰমোদ বড়োৱে। তদুপৰি আৱাসগৃহসমূহ সঠিক সময়ত আৰু সফলভাৱে ৰূপায়ণৰ বাবে উদ্যোগ লোৱা হৈছে বুলি প্ৰকাশ কৰিছে প্ৰমোদ বড়োৱে। উল্লেখ্য যে এইবাৰ বিটিআৰত ৰেকৰ্ডসংখ্যক ৩২,৮৫৯ গৰাকী হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত আৱাসগৃহ লাভ কৰাত আনন্দৰ বন্যা বৈছে। তথ্য অনুসৰি কোকৰাঝাৰত ১১৫২০ গৰাকী, চিৰাঙত ৩২৯৯ গৰাকীয়ে, বাকসাত ৫৪২৭ গৰাকীয়ে, ওদালগুৰীত ৯১২৫ গৰাকী আৰু তামোলপুৰত ৩৪৮৮ গৰাকী হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত আৱাসগৃহ লাভ কৰিছে।

# ধুমুহাত বিধ্বস্ত অঞ্চল পৰিদৰ্শন আছুৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ মাৰ্চঃ** যোৱা ১৭ মাৰ্চত বতাহ-ধুমুহাই বৃহত্তৰ ৰহমৰীয়া অঞ্চলৰ বিস্তৰ ক্ষতিসাধন কৰি থৈ গ'ল। বহু পৰিয়ালৰ ঘৰ-বাৰী, পশুধন, সা-সম্পত্তি নষ্ট হ'ল। ৰাইজে হাহাকাৰ পৰিৱেশৰ মাজত দিন পাৰ কৰিছে। আজি চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সঁজাতি দলে ৰহমৰীয়াৰ বিভিন্ন অঞ্চলৰ বিধ্বস্ত পৰিয়ালৰ কাষত থিয় হৈ সাহস দিয়াৰ লগতে সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। আনহাতে, স্থানীয় বিধায়ক বিনোদ হাজৰিকাই তেওঁলোকৰ খবৰ লয় যদিও বৰ্তমান সময়লৈকে কোনোধৰণৰ সকাহ প্ৰদান কৰা নাই বুলি জানিবলৈ দিছে চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সঁজাতি দলটিয়ে। দলটিয়ে বিধায়কগৰাকীক আহ্বান জনাইছে অতিশীঘ্ৰে সেই পৰিয়ালসমূহক যিধৰণে হওঁক সহযোগিতা আগবঢ়াওক আৰু জীৱন-জীৱীকাৰ যি ক্ষতি হৈছে সেইসমূহ পূৰণ কৰক। অন্যথা ৰাইজ আৰু চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিবাদৰ সন্মুখীন হ'ব বুলি জানিবলৈ দিছে পৰিদৰ্শনকাৰী দলটোৱে।

# মৈৰাবাৰীত শ্বেখ গ্ৰেণ্ড বাজাৰ ব্যৱসায়িক প্ৰতিষ্ঠান মুকলি

**ই-সংবাদ, মৈৰাবাৰী, ১৯ মাৰ্চঃ** মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত আজিৰেপৰা আৰম্ভ কৰা হৈছে শ্বেখ গ্ৰেণ্ড বাজাৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ। দোকানখনৰ স্বত্বাধিকাৰী শ্বৰীফুল ইছলামৰ একান্ত প্ৰচেষ্টাত মৈৰাবাৰী অঞ্চলত ইতিমধ্যে শ্বেখৰ তিনিখন বিপনী আৰম্ভ হৈছে। পবিত্ৰ ৰমজান তথা আগন্তুক ঈদ উপলক্ষে অঞ্চলটোৰ ৰাইজৰ সুবিধাৰ্থে আজি শ্বেখ গ্ৰেণ্ড বাজাৰৰ শুভাৰম্ভ কৰা হয়। য'ত গ্ৰাহকে ক্ৰয় কৰিব পাৰিব শিশু, মহিলা, বৃদ্ধ লোকৰপৰা আৰম্ভ কৰি সকলো প্ৰয়োজনীয় সা-সামগ্ৰী। লগতে 499 টকাৰ সামগ্ৰী ক্ৰয় কৰি লাভ কৰাৰ সুবিধাৰ্থে এটি কুপন আৰু লটাৰীযোগে লাভ কৰিব পাৰিব কেইবাটাও আকৰ্ষণীয় পুৰস্কাৰ। শ্বেখ গ্ৰেণ্ড বাজাৰৰ আজিৰ উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে দুৰ্নীতি দৰ্পণ কাকতৰ সাংবাদিক ক্ৰমে মুস্তফা জামান, যুৱ সাংবাদিক ৰিয়াজুল আকন্দ, ইছফাকুৰ ৰহমান (ৰুবেল), জ্যেষ্ঠ সাংবাদিক ফকৰুল ইছলাম, ফৰিদ আহমেদ চৌধুৰী, ব্যৱসায়ী ছাইফুল ইছলামকে ধৰি অঞ্চলটোৰ বহুকেইজন গণ্য-মান্য ব্যক্তি। প্ৰতিষ্ঠানটোৱে গ্ৰাহকৰ চাহিদা পূৰণত সক্ষম হ'ব বুলি সকলোৱে আশা কৰিছে।

### লিখিত অভিযোগ দিয়াৰ পিছতো নিৰ্বিকাৰ হাজো বন বিভাগ

# কামৰূপৰ চৰ-গ্ৰেজিঙত অবাধ বন ধ্বংস



**ই-সংবাদ, শুৱালকুছি, ১৯ মাৰ্চঃ** কামৰূপৰ হাজো বনাঞ্চলিক বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰ তথা গ্ৰেজিং ৰিৰ্জাভখনত বিগত কিছুদিনৰপৰা বন মাফিয়া তথা দুৰ্বৃত্তই অবাধে বহু মূল্যৱান গছ-গছনি কাটি তহিলং কৰি বনাঞ্চল ধ্বংস তথা গ্ৰেজিং ৰিজাৰ্ভখনলৈ সংকট কঢ়িয়াই অনা কাৰ্যই স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজক উদ্বিগ্ন কৰি তুলিছে। হাজো বন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ প্ৰত্যক্ষ ছত্ৰছায়াতে গ্ৰেজিং ৰিজাৰ্ভখনৰ বহু মূল্যৱান গছ-গছনি দুৰ্বৃত্তই কাটি তহিলং কৰাৰ অভিযোগ স্থানীয় সচেতন ৰাইজ তথা দল-সংগঠনৰ। প্ৰাপ্ত অভিযোগ অনুসৰি, কামৰূপৰ ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰ তথা গ্ৰেজিং ৰিজাৰ্ভত বাথান, শ্ৰীহাটী, লাহ, বামুন্দী, হালোগাঁও, শিলগুড়িকে আদিকৰি বৃহত্তৰ অঞ্চলৰ গো-পালকসকলে দীৰ্ঘদিনৰপৰা গৰু-ম’হ আদিৰ চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। যাৰফলত লাহেশ্বৰী চৰ তথা গ্ৰেজিং ৰিৰ্জাভখন অতদিনে সংৰক্ষিত হৈ আহিছে। কিন্তু সেই সময়তে একাংশ অসাধু তথা বন মাফিয়াৰ শেনচকু পৰিছে উক্ত চৰ অঞ্চলত থকা মূল্যৱান গছ-গছনিসমূহত। গ্ৰেজিং ৰিৰ্জাভখনত থকা মূল্যৱান গছ-গছনি নিতৌ যন্ত্ৰচালিত কৰটেৰে কাটি তহিলং কৰা ঘটনাত সচেতন ৰাইজ তথা প্ৰকৃতিপ্ৰেমী দল-সংগঠন উদ্বিগ্ন হৈ পৰিছে। এই প্ৰকৃতি ধ্বংসকাৰ্য দেখিও প্ৰশাসন তথা হাজো বন বিভাগকে আদিকৰি সংশ্লিষ্ট বিভাগ মৌন হৈ থকা কাৰ্যত অঞ্চলটোৰ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য, বনমন্ত্ৰী তথা কামৰূপ প্ৰশাসনৰ নীৰৱতাৰ সুযোগ গ্ৰহণ কৰি এটা দুষ্ট চক্ৰই লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভত থকা শিলিখা, কদম, শিমলু, চিচু আদিকে ধৰি বৃহৎ বৃহৎ গছ কাটি অঞ্চলটোত চলাই গৈছে অবাধ বনজ সম্পদ ধ্বংসৰ অভিযান। যন্ত্ৰচালিত কৰটেৰে মুক্তভাৱে এফালৰপৰা মূল্যৱান গছ-গছনি কাটি তহিলং কৰিছে বনদুস্যৰে। এইক্ষেত্ৰত হাজো বন বিভাগ আৰু শুৱালকুছি নদী আৰক্ষীক লিখিত অভিযোগ দিছিল লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভ সমিতিয়ে। কিন্তু ইয়াৰ পিছতো হাজো বন বিভাগ তথা প্ৰশাসনে কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ ৰাইজৰ। যাৰফলত এইসকল ভূ-মাফিয়াই একপ্ৰকাৰ সন্ত্ৰাস চলাইছে ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভত। আনহাতে, গছ-গছনি কটাৰ ফলত বনাঞ্চলত থকা বনৰীয়া জীৱ-জন্তু তথা ঘৰচীয়া গৰু-ম’হ আদি পশুধনৰ খাদ্যৰ সংকটে দেখা দিছে। এইক্ষেত্ৰত কামৰূপ প্ৰশাসনক বিহীত ব্যৱস্থা ল’বলৈ সচেতন ৰাইজে আহ্বান জনাইছে।

# মৰাণহাটত আউনীআটী বিশ্ববিদ্যালয়ৰ বয়ন শিল্প পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে উদ্বোধন

**ই-সংবাদ, মৰাণহাট, ১৯ মাৰ্চঃ** আউনীআটী বিশ্ববিদ্যালয়ৰ উদ্দেশ্যই আছিল প্ৰকৃত মানুহ তৈয়াৰ কৰা। আ-অলংকাৰেৰে মানুহ হয়, শিক্ষাৰে মানুহ হয়, কিন্তু অন্তঃনিষ্ঠাৰে মানুহ হোৱাটোহে ডাঙৰ কথা। বৰ্তমান সময়ত মানুহে নিজৰ খোজেই যেন পাহৰি গৈছে। মানৱতা, দয়া-ধৰ্ম, পৰম্পৰালব্ধ জীৱনৰ পথ পাহৰি গৈছে। সেয়ে আজিৰ প্ৰেক্ষাপটত মানুহৰ চিন্তাধাৰাক পুনৰ মনত পেলাই দিবৰ কাৰণে প্ৰকৃত মানুহৰ পথৰ কথা সোঁৱৰাই দিবৰ কাৰণে এখনি উচ্চ শিক্ষানুষ্ঠানৰ প্ৰয়োজন হৈছে বুলি অনুভৱ কৰি সোঁৱে-বাঁৱে সকলোতে বিশ্ববিদ্যালয় থকাৰ পিছতো আমি তেনে এখন বিশ্ববিদ্যালয়ৰ অনুভৱ কৰিছো, যিখন বিশ্ববিদ্যালয়ত প্ৰকৃত মানুহ গঢ়াৰ শিক্ষা জড়িত হৈ থাকে। আজি মৰাণহাটৰ মাউৎগাঁও বৰডবাত আউনীআটী বিশ্ববিদ্যালয়ৰ উদ্যোগত বয়ন শিল্পৰ পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰি আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য্য তথা আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে এনেদৰে কয়। মাউৎগাঁও বৰ নামঘৰত ত্ৰৈলোক্য চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত সত্ৰাধিকাৰ তথা আচাৰ্য্যগৰাকীয়ে দিয়া প্ৰেৰণাময় ভাষণত বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠাৰ উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰি তেখেতে কয়-- ব্যৱহাৰিক পাঠ্যক্ৰমৰ শিক্ষাৰ সমান্তৰালভাৱে মানুহ নিৰ্মাণৰ বাবে যি মূল্যবোধৰ শিক্ষা বিশ্ববিদ্যালয়খনে দিব, তাৰ দ্বাৰা জগতৰো মংগল সাধন হ'ব। আনকি, ইয়াৰ যি বয়ন শিল্পৰ কৌশল সেয়া ব্যতিক্ৰমী ৰূপত প্ৰস্তুত কৰি ইয়াৰ শিল্পকৰ্ম বিশ্বৰ চৌপাশে লৈ যোৱাৰ চেষ্টা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। সত্ৰাধিকাৰগৰাকীয়ে বয়ন শিল্পীৰ লগতে মুখাশিল্প আৰু সাঁচিপাতৰ শিক্ষাও প্ৰশিক্ষণ কেন্দ্ৰটোত উপলব্ধ হ'ব আৰু ই অধিক জেউতি চৰা হ'ব বুলি উল্লেখ কৰে। আমাৰ শিপিনীসকলে ইয়াৰ আগলৈকে কেৱল জেউতি বয়ন শিল্পৰ সমবায় সমিতিৰ যোগেদি বস্ত্ৰহে তৈয়াৰ কৰিছিল আৰু আজিৰপৰা এই বয়ন শিল্পৰ যোগেদি নৈতিক, আধ্যাত্মিক, সামাজিক, সাংস্কৃতিক শিক্ষাৰ জ্ঞানো তেওঁলোকে বুটলি ল'ব বুলি লগতে তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে আউনীআটী বিশ্ববিদ্যালয় আৰু জেউতি বয়ন সমবায় সমিতি লিমিটেডৰ মাজত হোৱা এক বুজাবুজি চুক্তিৰ আধাৰত মৰাণত বয়ন শিল্পৰ উক্ত প্ৰশিক্ষণ কেন্দ্ৰটো স্থাপন কৰা হৈছে। ছমহীয়া পাঠ্যক্ৰমৰে প্ৰস্তুত কৰা বয়ন শিল্পৰ এই পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ যাৱতীয় প্ৰস্তুতি আৰু নীতি নিৰ্ধাৰণৰ বাবে অনুষ্ঠিত সভাখনত আচাৰ্য্য ড° পীতাম্বৰ দেৱগোস্বামীৰ উপৰি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° মাধুৰ্য্যমণ্ডিত বৰুৱাও উপস্থিত থাকে। পঞ্জীয়কগৰাকীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগতে চৰকাৰী নীতি-নিয়ম আৰু চুক্তিৰ বিধি-নীতিৰ লগতে পাঠ্যক্ৰমৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। অনুষ্ঠানটোত পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া, চৰাইদেউৰ হস্ততাঁত আৰু বয়ন শিল্প বিভাগৰ জিলা পৰিদৰ্শক প্ৰীতিমা চাংমাই, আউনীআটী বিদ্যানিকেতন, ডিব্ৰুগড়ৰ পৰিচালনা সমিতিৰ বিধুপ্ৰসাদ বৰকাকতী প্ৰমুখ্যে কেইবাগৰাকীও বক্তা উপস্থিত থাকে।

# তামুলপুৰত উদ্যোগী আৰু বিনিয়োগকাৰী সমাৰোহ

**ই-সংবাদ, তামুলপুৰ, ১৯ মাৰ্চঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু এন আৰ ডি এছ মেনেজমেণ্ট প্ৰাইভেট লিমিটেডৰ সহযোগত আজি তামুলপুৰ জিলাৰ মটঙাপাৰস্থিত সাংস্কৃতিক ভৱনত বিটিচিৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধীনত তামুলপুৰ জিলাৰ উদ্যোগী আৰু বিনিয়োগকাৰীসকলৰ এক সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানটো বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ কুমাৰ চক্ৰৱৰ্তীয়ে। উদ্বোধনী ভাষণত জিলা আয়ুক্তগৰাকীয়ে কয়-- তামুলপুৰত উদ্যোগীসকলৰ বাবে বহু সম্ভাৱনা আছে। চুবুৰীয়া ৰাষ্ট্ৰ ভুটানক লৈয়ো উদ্যোগীসকলৰ বাবে সম্ভাৱনা গঢ়ি উঠিছে। আজি তেওঁলোকৰ সহায়ৰ বাবে স্থানীয় বেংক কৰ্তৃপক্ষও আগবাঢ়ি অহাত তেওঁ সন্তোষ প্ৰকাশ কৰে। নিজৰ চমু ভাষণত আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে এডভাণ্টেজ আছাম ২.০ ৰ জৰিয়তে গোটেই ৰাজ্যখনতে উদ্যোগী আৰু বিনিয়োগকাৰীৰ বাবে এটা সুন্দৰ পৰিৱেশ আৰম্ভ হৈছে আৰু তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অংশগ্ৰহণ কৰিছে য'ত বিভিন্ন দেশ-বিদেশৰ বিনিয়োগকাৰী আহি উপস্থিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি আজি স্থানীয়ভাৱে আয়োজন কৰা উদ্যোগী আৰু বিনিয়োগকাৰীৰ সমাৰোহ সমসাময়িক আৰু সময়োপযোগী হৈছে। এনে এখন সমাৰোহৰ প্ৰয়োজনো আছিল বুলি তেওঁ মন্তব্য কৰে। প্ৰবক্তা গুলছন বসুমতাৰীয়ে আঁতধৰা সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে উদ্যোগী আৰু বিনিয়োগকাৰীসকলক স্বভাৱসুলভ সাৰুৱা ভাষণেৰে উৎসাহিত কৰে। অনুষ্ঠানত বিটিআৰৰ মনোনীত পাৰিষদ হেমন্ত কুমৰ ৰাভাই উপস্থিত উদ্যোগী আৰু বিনিয়োগকাৰীসকলক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰে। এন আৰ ডি এছৰ সঞ্চালক চুবীৰ সৰকাৰে আদৰণী ভাষণ প্ৰদান কৰা আৰু প্ৰায় তিনিশ উদ্যোগী আৰু বিনিয়োগকাৰী উপস্থিত থকা সমাৰোহত স্থানীয় ইউকো বেংক, এইছ ডি এফ চি, এছ বি আই, গ্ৰামীণ বিকাশ বেংক, কানাড়া বেংক, এক্সিছ বেংকৰ শাখা প্ৰবন্ধকসকলেও উপস্থিত থাকি বিনিয়োগকাৰীসকলৰ সতে মতবিনিময় কৰে। এন আৰ ডি এছ প্ৰাইভেট লিমিটেডৰ সাধাৰণ সম্পাদক ডেৰহাচাৰ নাৰ্জাৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা সমাৰোহত বাক্সা বাণিজ্য বিভাগৰ জেনেৰেল মেনেজাৰ চেলিম ৰাজা মণ্ডল, তামুলপুৰৰ এল ডি এম জ্যোতি মিত্ৰ, ডি আই চি কোকৰাঝাৰৰ সহকাৰী মেনেজাৰ ৰাকেশ কাশ্যপ, তামুলপুৰ বাণিজ্য বিভাগৰ অধীক্ষক কৃষ্ণ মেনন ডেকাৰ উপৰিও বহুসংখ্যক বিভাগীয় বিষয়া উপস্থিত থাকে।

# সৰুপেটাত লক্ষহীৰা দাস আৰু ভৱানীপ্ৰসাদ অধিকাৰীক সোঁৱৰণ

**ই-সংবাদ, ভৱানীপুৰ, ১৮ মাৰ্চঃ** অগা-পিছাকৈ দেহাৰসান ঘটা ৰাজ্যখনৰ দুই পথিকৃৎ ব্যক্তিত্ব ডঃ লক্ষহীৰা দাস আৰু ভৱানীপ্ৰসাদ অধিকাৰীক আজি সৰুপেটা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত সশ্ৰদ্ধ সোঁৱৰণ কৰা হয়। সংগঠনটোৰ সৰুপেটাস্থিত অস্থায়ী কাৰ্যালয়ত সৰুপেটা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ডঃ অমিয়া মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে দুয়োগৰাকী ব্যক্তিয়ে অসমীয়া সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ গভীৰ সোঁৱৰণ কৰা হয়। সভাপতিৰ ভাষণত ডঃ অমিয়া মহন্তই 'সুধাকণ্ঠ' ডঃ ভূপেন হাজৰিকাৰ পিছতে ৰাজ্যখনৰ এগৰাকী মহীয়সী নাৰী একেধাৰে কণ্ঠশিল্পী, গীতিকাৰ, গৱেষক, অধ্যাপিকা, প্ৰচুৰ মেধাসম্পন্ন ডঃ লক্ষহীৰা দাসৰ নাম ল'ব পাৰি বুলি মন্তব্য কৰে। নম্ৰ, অতি সহজেই আনৰ লগত মিলিব পৰা গুণৰাশি, সংগীত জগতখনত দেখুওৱা বিৰল কৃতিত্বৰ বাবে প্ৰয়াত লক্ষহীৰা দাসৰ অৱদানক অসমীয়া জাতিয়ে চিৰদিন স্মৰণ কৰিব বুলি তেওঁ মন্তব্য কৰে। আনহাতে, একেধাৰে সাহিত্যিক, শিক্ষাবিদ আৰু সাংবাদিক ভৱানীপ্ৰসাদ অধিকাৰীয়ে সাংবাদিকতাৰ ক্ষেত্ৰখনৰ লগতে ভাষাতত্ত্ব আৰু সমালোচনাত্মক লেখাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা বুলি সভাপতি ডঃ মহন্তই মত প্ৰকাশ কৰে। অনুষ্ঠানত লেখিকা সমাৰোহ সমিতিৰ দুগৰাকী সদস্যা ক্ষীৰদাপ্ৰভা দাস আৰু মোহিনী তালুকদাৰেও তেওঁলোকৰ ভাষণত দুয়োগৰাকী কৃতবিদ্যক সোঁৱৰণ কৰে। আৰম্ভণিতে সমিতিৰ সৰুপেটা শাখাৰ সম্পাদিকা ফুনু মেধিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত দুয়োগৰাকী ব্যক্তিৰ সোঁৱৰণত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনোৱা হয়।

# বৰপথাৰত ৰাজহুৱা পুথিভঁৰাল উদ্বোধন

**ই-সংবাদ, সৰুপথাৰ, ১৯ মাৰ্চঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰ পৌৰসভা এলেকাত আজি এটি ৰাজহুৱা পুথিভঁৰাল উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ তথা কবি মণিকুন্তলা ভট্টাচাৰ্যই। বৰপথাৰ নগৰৰ সৰুপথাৰ পথত স্থাপিত উক্ত পুথিভঁৰালৰ দ্বাৰ উন্মোচন উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত উদ্বোধকগৰাকীৰ লগতে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, খণ্ড উন্নয়ন বিষয়া তমসা দাস, ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলেকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শিশু সাহিত্যকে ধৰি বিভিন্ন বিষয়ৰ প্ৰায় ছয় লক্ষাধিক টকা মূল্যৰ গ্ৰন্থ বৰ্তমান উক্ত ৰাজহুৱা পুথিভঁৰালটোলৈ স্থানীয় বিধায়কগৰাকীয়ে যোগান ধৰা বুলি প্ৰকাশ। উল্লেখ্য যে উক্ত পুথিভঁৰালটোৱে বৃহত্তৰ বৰপথাৰ অঞ্চলৰ বৌদ্ধিক জগতখনলৈ উল্লেখনীয় অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে।

# চেঙাৰ বাঘমাৰা চৰত সমূহীয়া ইফতাৰ সম্পন্ন

**ই-সংবাদ, শিমলীতোলা-নগৰবেৰা, ১৯ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ বজাৰস্থিত বাঘমাৰা জামে মছজিদ প্ৰাংগণত বাঘমাৰা চৰ মণ্ডল কংগ্ৰেছৰ সহযোগত তথা প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ তথা চেঙা বিধানসভা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ছোলেমান খানৰ উদ্যোগত আজি এক সমূহীয়া ইফতাৰ মেহফিলৰ আয়োজন কৰা হয়। ইফতাৰ পাৰ্টিৰ প্ৰাকমুহূৰ্তত বিশ্বশান্তিৰ বাবে সমূহীয়া মোনাজাত কৰা হয়। ইফতাৰ পাৰ্টিৰ শেষত যুৱনেতা ছোলেমান খানে সাংবাদিকৰ আগত কয় যে আজি চেঙা সমষ্টিৰ বাঘমাৰা চৰত পৱিত্ৰ ইফতাৰ পাৰ্টিৰ জৰিয়তে চৰাঞ্চলৰ প্ৰতিজন নেতা-কৰ্মীৰ লগত একলগ হৈ মতবিনিময় কৰিবলৈ পাই উৎফুল্লিত হৈ পৰিছো। লগতে চেঙাৰ দৰে এটা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশি হ'বলৈ পাই তেওঁ নিজকে ধন্য মানে আৰু চেঙা সমষ্টিত বহু কৰণীয় আছে বুলি উল্লেখ কৰে। উক্ত ইফতাৰ পাৰ্টি অনুষ্ঠানত বিভিন্ন পৰ্যায়ৰ লোকক নিমন্ত্ৰণ জনাইছিল আৰু সেই হিচাপে ৰাইজেও যথেষ্ঠ সঁহাৰি জনায় বুলি উদ্যোগতা ছোলেমান খানে কয়। পাৰ্টিটোত যুৱ কংগ্ৰেছৰ লগতে বাঘমাৰা চৰ মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি জিন্না ৰেজ্জাকুল আলমৰ নেতৃত্বত মণ্ডল কংগ্ৰেছে কমিটিয়ে সহায় সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে পৱিত্ৰ ৰমজান মাহ উপলক্ষে ইফতাৰ পাৰ্টিৰ আয়োজন কৰা যুৱনেতা তথা প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ ছোলেমান খানৰ উপস্থিত সকলোৰে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মানাহত বনৰীয়া ম'হৰ আক্ৰমণত বনকৰ্মীৰ মৃত্যু

**ই-সংবাদ, কলগাছিয়া, ১৯ মাৰ্চঃ** বৰপেটাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আমগুৰি গাঁৱৰ ইছব আলীৰ পুত্ৰ বনকৰ্মী জেহেৰুল ইছলাম বনৰীয়া ম'হৰ আক্ৰমণত বুধবাৰে চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাত অঞ্চলব্যাপী শোকৰ ছাঁ বিৰাজ পৰিছে। উল্লেখযোগ্য যে যুৱকজনে বনকৰ্মী হিচাপে কৰ্মৰত অৱস্থাত সোমবাৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰপৰা ওলাই অহা এটা বনৰীয়া ম'হে পিছফালৰপৰা আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰিছিল। লগে লগে আহত জেহেৰুল ইছলামক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও বুধবাৰে চিকিৎসালয়ত বনকৰ্মীজনৰ মৃত্যু হয়। বনকৰ্মী জেহেৰুল ইছলাম ২০২৩ চনৰ মে' মাহত বন বিভাগৰ বেটেলিয়ানৰ চাকৰিত যোগদান কৰি মানাহৰ বাঁহবাৰী বনাঞ্চলত কৰ্মৰত আছিল। সোমবাৰে



মানাহ ৰাষ্ট্ৰীয় উদ্যানৰপৰা এটা বনৰীয়া ম'হ ওলাই আহি ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰে। ফলত বনৰীয়া ম'হটো জংঘললৈ খেদি পঠিয়াবৰ বাবে জেহেৰুল ইছলামসহ আন তিনিগৰাকী বনকৰ্মীক দায়িত্ব অৰ্পণ কৰে বিভাগীয় কৰ্তৃপক্ষই। বনকৰ্মীসকলে জীপ আৰু ট্ৰেক্টৰেৰে মহ'টো খেদিবলৈ চেষ্টা অব্যাহত ৰাখিছিল যদিও ব্যৰ্থ হৈছিল। ম'হটোৱে হঠাতে পিছফালৰপৰা আহি জেহেৰুলক আক্ৰমণ কৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। লগে লগে আহত জেহেৰুলক ততাতৈয়াকৈ শালবাৰী আদৰ্শ চিকিৎসালয়লৈ লৈ যায় যদিও অৱস্থা অতি সংকটজনক হোৱাত চিকিৎসকে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। সম্প্ৰতি ম'হটো জংঘললৈ উভতি গৈছে যদিও আহত বনকৰ্মী জেহেৰুল ইছলামৰ বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত বুধবাৰে বিয়লিত মৃত্যু হয়। যুৱকজনৰ অকাল মৃত্যুত অঞ্চলব্যাপী শোকৰ ছাঁ বিৰাজ কৰাৰ লগতে কান্দোনত ভাঙি পৰিছে পৰিয়াল।

# ড্ৰাগছ-গাঞ্জাসহ এজনক আটক বৰমা আৰক্ষীৰ

**ই-সংবাদ, বৰমা, ১৯ মাৰ্চঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে আন্দোলন চলি থকাৰ মাজতে আজি বৰমাৰ বৰমা-কৈঠালকুছি পথত ড্ৰাগছ, গাঞ্জা সহিতে এজন যুৱক আটক হয়। যুৱকজনৰ নাম গেৰেমচা বড়ো। কৈঠালকুছিৰ পৰা মেদাঘাটৰ যুৱকজনে সৰৱৰাহ কৰিছিল তিনিটা ড্ৰাগছৰ কন্টেইনাৰসহ গাঞ্জাখিনি। বৰমা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মদন চন্দ্ৰ কলিতাৰ নেতৃত্বত এটা আৰক্ষীৰ দলে AS 28 E 1424 নম্বৰৰ স্কুটী এখনেৰে আহি থকাৰ তথ্য গোপন সূত্ৰৰপৰা লাভ কৰি আটক কৰে যুৱকজনক। সম্প্ৰতি বৰমা আৰক্ষীয়ে আটকাধীন যুৱকজনক সোধা-পোচা অব্যাহত ৰাখিছে।

# অংগনৱাড়ী সহায়িকাৰ পদোন্নতিক লৈ বিষয়া-সহায়কৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ, ১৯ মাৰ্চঃ** হোজাই জিলাৰ বিন্নাকান্দি সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া আৰু উচ্চকাৰি সহায়ক ৰাজীৱ হাজৰিকাৰ বিৰুদ্ধে অংগনৱাড়ী সহায়িকাৰ পদোন্নতিক লৈ দুৰ্নীতিৰ অভিযোগ তুলিছে সহায়িকা পদৰ প্ৰাৰ্থী মিনাৰা বেগমে। দক্ষিণ দেৰস্থানৰ মিনাৰা বেগমে এই অভিযোগ তুলি হোজাই জিলা আয়ুক্তক অভিযোগ দাখিল কৰে। মিনাৰা বিন্নাকান্দি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ১৭০ নং অংগনৱাড়ী কেন্দ্ৰৰ সহায়িকা। এই অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী আলেহা বেগমৰ অকাল বিয়োগত কেন্দ্ৰৰ কৰ্মী পদটো খালি হৈ পৰে। বিভাগীয় গাইডলাইনৰ অনুসৰি ১০ বছৰৰ কৰ্ম অভিজ্ঞতা আৰু নৱম শ্ৰেণী উত্তীৰ্ণ হলে পদোন্নাতি দিব লাগে আৰু যদি বিজ্ঞাপন দিয়া হয় তেন্তে একে প্ৰকল্পৰ ভিতৰত থকা একেগাঁৱৰ অন্য সহায়িকাই আবেদন কৰিব পাৰে। চলিত বৰ্ষৰ ২৯ জানুৱাৰী তাৰিখে প্ৰকল্প বিষয়াই উক্ত কেন্দ্ৰৰ খালি পদৰ বিপৰীতে বিজ্ঞাপন দিছিল। তাৰপাছতে তিনিগৰাকীয়ে প্ৰাৰ্থীয়ে আবেদন কৰিছে। তাৰভিতৰত মিনাৰা বেগম আৰু হুচনাৰা বেগম একে কেন্দ্ৰ এলেকাৰ ৰাজহ গাঁৱৰ প্ৰাৰ্থী। কিন্তু জোনমনি বেগম নামৰ প্ৰাৰ্থীগৰাকী বেলেগ ৰাজহ গাঁও তথা আন গাঁও পঞ্চায়তৰ অৰ্থাৎ ২৩০ নং দেৰস্থান অংগনৱাড়ী কেন্দ্ৰৰ বুলি জানিব পৰা গৈছে। বিভাগীয় নিয়ম মতে, উক্ত জোনমনি বেগম সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব নোৱাৰে। কিন্তু প্ৰকল্প বিষয়া আৰু উচ্চবৰ্গৰ সহায়কে সহায়িকাগৰাকীৰ লগত গোপন বুজাবুজি কৰি জোনমনি বেগমক পদোন্নাতিৰ কাৰণে বাচনি কৰে। কিন্তু এই কেন্দ্ৰত মিনাৰা বেগমে ২৪ বছৰৰপৰা কৰ্মৰত হৈ আছে। যোগ্যতাৰ ভিত্তিত তেওঁ পদটো পাব লাগে, কিন্তু ৰহস্যজনকভাৱে বিষয়াগৰাকীয়ে ধনৰ বিনিময়ত আন প্ৰাৰ্থীক পদোন্নতি দিয়াৰ বাবে বাচনি কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিষয়টোৰ ওপৰত তদন্ত কৰি ব্যৱস্থা লোৱাৰ বাবে প্ৰাৰ্থীগৰাকীৰ লগতে স্থানীয় ৰাইজে দাবী জনাইছে।

# মাজুলীত বিজেপি মিত্ৰজোঁটৰ বিধায়কৰে মত বিনিময়

**ই-সংবাদ বিশেষ, মাজুলী, ১৯ মাৰ্চঃ** সমাগত পঞ্চায়ত নিৰ্বাচন আৰু চৰকাৰৰ দ্বাৰা ৰূপায়ণ হোৱা পাঁচখন আঁচনি সন্দৰ্ভত আলোচনা কৰিবলৈ মাজুলীত আজি ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মাজুলীৰ বিধায়ক ভুবন গামৰ লগত বিজেপি, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি, অসমৰ মিত্ৰজোঁটৰ নেতৃত্ব আৰু সদস্যসকলে আজি মত-বিনিময় কৰিবলৈ উক্ত গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মাজুলীৰ খোনাচুক মাধৱদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি দুপৰীয়া অনুষ্ঠিত হোৱা সভাখনত মাজুলীৰ মিত্ৰজোঁটৰ তিনিওটা দলৰ সহস্ৰাধিক সদস্যই অংশগ্ৰহণ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁতধৰে ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি দেৱ কুমাৰ মুদৈয়ে। সভাত বিধায়কৰ ভাষণত ভুবন গামে তিনিওটা দলে মিলিজুলি সমাগত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীক বিপুলভাৱে জয়ী কৰিবলৈ আৰু চৰকাৰী আঁচনিসমূহ ৰাইজৰ মাজত সমভাৱে বিতৰণ কৰিবলৈ আহ্বান জনায়। সভাত সন্মিলিত গণশক্তি, অসমৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি ত্ৰৈলোক্য পামেগাম আৰু অগপৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি বলো কলিতাই ভাষণ প্ৰদান কৰি সমাগত পঞ্চায়ত মিত্ৰশক্তিৰ তিনিটা দলে নিৰ্বাচনত এককভাৱে যুঁজ দিয়া আৰু চৰকাৰী আঁচনিসমূহ ৰাইজৰ মাজত তিনিওটা দলৰ দলীয় কৰ্মী আৰু সাধাৰণ ৰাইজৰ মাজত সমানে সমানে ভাগ-বতৰা কৰি যাবলৈ আহ্বান জনায়। উক্ত সভাত সমাগত পঞ্চায়ত নিৰ্বাচন, বিভিন্ন জনকল্যাণমূলক আঁচনি, অৰুণোদয়, মুখ্যমন্ত্ৰী উদ্যমিতা, উপাসনা গৃহ, আত্মনিৰ্ভৰশীল অসমৰ ওপৰত দীৰ্ঘসময় আলোচনা কৰা হয়। উক্ত আঁচনিসমূহ সন্দৰ্ভত মাজুলীৰ বিধায়ক ভুবন গামৰ লগত মত-বিনিময় কৰা হয়। মাজুলীৰ বিভিন্ন প্ৰান্তৰ বিশখন গাঁও পঞ্চায়তৰ প্ৰতিনিধিয়ে উক্ত সভাত অংশগ্ৰহণ কৰে আৰু নিজৰ মতামত প্ৰকাশ কৰে।

# নগাঁৱৰ জাজৰিত দুৰ্ঘটনাত আহত দুই স্কুটি আৰোহীৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ১৯ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ কিছু নিলগৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত ন-মাটি চাৰিআলিত সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত দুই স্কুটি আৰোহীৰ অৱশেষত চিকিৎসালয়ত মৃত্যু হয়। মঙলবাৰে বিয়লি প্ৰায় দুই বজাত নগাঁও-মৰিগাঁও সংযোগী ৰাজ্যিক ঘাইপথটোৰে গৈ থকা এ এছ-০১-এল চি ৫৩২৩ নম্বৰৰ এখন ট্ৰাকৰ লগত পথ পাৰ হ'বলৈ বিচৰা এ এছ-১২-এডি ৪৬২৮ নম্বৰৰ এখন স্কুটিৰ মাজত সংঘৰ্ষ লগাত দুৰ্ঘটনাটো সংঘটিত হৈছিল। দুৰ্ঘটনাটোত স্কুটিখন বিধ্বস্ত হৈ পৰাৰ বিপৰীতে ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এটা বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰ কিছু ক্ষতি কৰি এটা গাঁতত সোমাই পৰিছিল। ফলত স্কুটি আৰোহী কাছমাৰীৰ বৰাগাঁৱৰ নিবাসী প্ৰণৱ ডেকাৰ পুত্ৰ শংকৰজ্যোতি ডেকা (২১) আৰু গোসাঁইবৰিৰ প্ৰশান্ত ডেকাৰ পত্নী নিজু ডেকা (৪০) গুৰুতৰভাৱে আহত হৈছিল। পিছত দুৰ্ঘটনাৰ খবৰ পাই জাজৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত আহত দুয়োকে উদ্ধাৰ কৰি ততাতৈয়াকৈ সংকটজনক অৱস্থাত নগাঁৱৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও ইয়াৰে মহিলাগৰাকীক চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। কিন্তু গুৱাহাটীলৈ নি থকা অৱস্থাতে মহিলাগৰাকীয়ে কৰুণ মৃত্যুক আকোঁৱালি লোৱাৰ বিপৰীতে আহত আনজন স্কুটি আৰোহী যুৱকে মঙলবাৰে নিশা প্ৰায় আঢ়ৈ বজাত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে বুলি জানিব পৰা গৈছে। দুয়োৰে এনে অকাল মৃত্যুত কাছমাৰী আৰু গোঁসাইবৰিত গভীৰ শোকৰ ছাঁ পৰিছে।

# ৰাভা ছাত্ৰ সন্থাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ধূপধৰা, ১৯ মাৰ্চঃ** অহা ৯, ১০ আৰু ১১ এপ্ৰিলত তিনিদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সপ্তম ত্ৰি-বাৰ্ষিক অধিৱেশন ধূপধৰাত অনুষ্ঠিত হ'ব। ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ধূপধৰা আঞ্চলিক ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশন উপলক্ষে আজি ধূপধৰা ৰাজহুৱা খেলপথাৰত লাইখুঁটা স্থাপন কৰা হয়। লাইখুটা স্থাপন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচকে। আনহাতে, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভাই জানিবলৈ দিয়ামতে তিনিওটা সংগঠনৰ এই যুটীয়া অধিৱেশনখনত আগন্তুক সংগঠনেইটাৰ কৰ্মৰাজিৰ বিষয়ে আলোচনা কৰা হ'ব আৰু



প্ৰতিনিধি সভাৰ জৰিয়তে তিনিওটা সংগঠনৰ নতুন সমিতি গঠন কৰা হ'ব। অনুষ্ঠানত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা, জিলা ৰাভা মহিলা পৰিষদ আৰু গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ বিষয়ববীয়া-সদস্যৰ উপৰি ধূপধৰাৰ স্থানীয় কেবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বী, সমাজকৰ্মী, আদৰণি সমিতিৰ উপ-সমিতিসমূহৰ বিষয়ববীয়া উপস্থিত থাকে।

# নগাঁৱত ৰাজপথৰ গ্ৰন্থমেলা আৰু বিশ্ব কবিতা দিৱস আয়োজন

**ই-সংবাদ, পুৰণিগুদাম, ১৯ মাৰ্চঃ** গ্ৰন্থবৰ্ষ উপলক্ষে অহা ২১ মাৰ্চত নগাঁৱত ৰাজপথৰ গ্ৰন্থমেলাৰ আৰু বিশ্ব কবিতা দিৱসৰ আয়োজন কৰিছে নগাঁও জিলা কবি সন্মিলন, ৰাজপথৰ কবিতা, নগাঁও নাগৰিক সভা আৰু আমাৰ সাহিত্য সভাই। পুৱা ১০ বজাৰপৰা নগাঁও চহৰৰ ক্লক টাৱাৰৰ সমীপৰ মতিৰাম বৰা উদ্যানত দিনজোৰাকৈ অনুষ্ঠিত হ'বলগা কবিতা পাঠৰ বিশেষ কাৰ্যসূচীৰ লগতে অশোক ৰাম ভট্টাচাৰ্য্যৰ সেউজীয়া ভালপোৱা যদি, মনোৰমা ভূঞাৰ বিয়ানাম শীৰ্ষক গ্ৰন্থৰ লগতে কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। উদ্যোক্তাসকলে সমূহ কবি আৰু কাব্যপ্ৰেমীৰ আন্তৰিক উপস্থিতি কামনা কৰিছে।

# ধৰ্মপ্ৰাণ মহিলা গোলাপী দেৱীৰ দেহাৱসান



**ই-সংবাদ, ছিপাঝাৰ, ১৯ মাৰ্চঃ** দৰং জিলাৰ ছিপাঝাৰ চহৰৰ ২ নং ৱাৰ্ড নিবাসী ধৰ্মপ্ৰাণা মহিলা গোলাপী দেৱীৰ আজি ৮৫ বছৰ বয়সত নিশা নিজা বাসগৃহত আকস্মিকভাৱে মৃত্যু হয়। দৰং আৰু ওডালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ কেইবাখনো শাখা সভা আমন্ত্ৰণ জনাই কৃপাধন্য হোৱা গোলাপী দেৱীৰ মৃত্যুৰ খবৰে শোকস্তব্ধ কৰি তোলে সমগ্ৰ ছিপাঝাৰ অঞ্চল। গোলাপী দেৱীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেখেতৰ আত্মীয়, গুণমুগ্ধ, বীনাপাণি পুথিভঁৰাল, পশ্চিমচুবা ব্ৰাহ্মণ সমাজৰ বহুসংখ্যক লোক উপস্থিত হৈ সৰ্ববৰহী গোলাপী দেৱীৰ প্ৰতি শেষশ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দুগৰাকী পুত্ৰ আৰু বোৱাৰী, চাৰিগৰাকী বিবাহিতা জীয়ৰী আৰু জোঁৱাই, নাতি-নাতিনীকে ধৰি অসংখ্য গুণমুগ্ধক তেওঁ এৰি যায়।

# থানাই বাগিচাৰ প্ৰেক্ষাগৃহ মেৰামতি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ মাৰ্চঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিশেষ পদক্ষেপ গ্ৰহণ কৰি লাহোৱাল সমষ্টিৰ চাহ বাগিচাৰ বহু পুৰণি ৰাজহুৱা প্ৰেক্ষাগৃহসমূহ মেৰামতি কৰিব বিধায়ক বিনোদ হাজৰিকাই। এই পদক্ষেপ হাতত লৈ কালি প্ৰথমটো প্ৰেক্ষাগৃহ মেৰামতিৰ কামৰ শুভাৰম্ভ কৰে বিধায়ক হাজৰিকাই। প্ৰেক্ষাগৃহটো মেৰামতি কৰিবলৈ বিধায়কগৰাকীৰে অসম চৰকাৰৰ অনিৰ্ধাৰিত পুঁজিৰ শিতানত ১০ লাখ টকা আৱণ্টন দিছে। বৃহৎ বাগিচাখনৰ ৰাইজে মুকলি স্থানতে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। সেয়েহে ৰাজহুৱা প্ৰেক্ষাগৃহটো উন্নয়ন সাধনৰ পদক্ষেপ গ্ৰহণ কৰে বিধায়কগৰাকীয়ে। আনহাতে, ঐতিহাসিক ৰহমৰীয়াৰ কুন্দা আতা দেৱৰ ঐতিহাসিক থানখন নতুনকৈ নিৰ্মাণৰ বাবে ব্যৱস্থাৰ গ্ৰহণ কৰা হৈছে। থানৰ বাবে আনটাইড ফাণ্ডৰ অধীনত ১০ লাখ টকা আৱণ্টন দি কালি কামৰ শুভাৰম্ভ কৰে বিধায়ক হাজৰিকাই। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে সাংগঠিক কাম-কাজৰ লগতে উন্নয়নৰ দিশত গুৰুত্ব প্ৰদান কৰিছে বিধায়ক বিনোদ হাজৰিকাই। কালি মুঠ ২০ লাখ টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

# চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত কৰ্মশালা সম্পন্ন

## ছাত্ৰ-ছাত্ৰীৰ নেতৃত্ব গুণ বিকাশ আঁচনিৰ বিশেষ সংযোজন

**ই-সংবাদ, টীয়ক, ১৯ মাৰ্চঃ** চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অসমীয়া বিভাগৰ উদ্যোগত, সম্প্ৰসাৰণ কাৰ্যক্ৰম কোষৰ সহযোগত ১৮ মাৰ্চত জগদুৱাৰ চাপৰি প্ৰাথমিক বিদ্যালয়ত এখন বিশেষ কৰ্মশালা অনুষ্ঠিত হৈ যায়। বছৰেকীয়া পৰীক্ষাৰ পাছৰ সময়খিনিৰ সদ্ব্যৱহাৰ শীৰ্ষক কৰ্মশালাখনিত ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ শিক্ষাৰ্থী দেৱাশিস হাজৰিকা, গায়ত্ৰী বৰুৱা, ষষ্ঠ ষাণ্মাসিকৰ শিক্ষাৰ্থী ববিতা সাউদ, মনালিচা গগৈ, মুনমী ভৰালী আৰু ৰাখী ভৰালীয়ে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক বছৰেকীয়া পৰীক্ষাৰ সময়খিনি কেনেদৰে কটাব সেই সম্পৰ্কে প্ৰায়োগিক ধাৰণা প্ৰদান কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্ব গুণ বিকাশ আঁচনিৰ অধীনত ৰূপায়িত কৰ্মশালাখনিত আদৰণী ভাষণ প্ৰদান কৰে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অসমীয়া বিভাগৰ মুৰব্বী ড° কৰবী গগৈয়ে। জগদুৱাৰ চাপৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰঞ্জু বৰুৱা, সহকাৰী শিক্ষক ইলিমা বৰুৱা, ভাস্কৰজ্যোতি বৰা আৰু নয়নমণি নৰহে অংশগ্ৰহণ কৰা কৰ্মশালাখনত ভাস্কৰজ্যোতি বৰা আৰু নয়নমণি নৰহে বক্তব্য প্ৰদান কৰে। কৰ্মশালাখনিত জগদুৱাৰ চাপৰি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা নয়ন লুগাং ৰূপে জনপ্ৰিয় কবি-গীতিকাৰ নয়নমণি নৰহ আৰু চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ দেৱাশিস হাজৰিকাই স্বৰচিত কবিতা পাঠ, জগদুৱাৰ চাপৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম শ্ৰেণী ছাত্ৰী সুমিত্ৰা ভূঞাই গীত পৰিৱেশন, প্ৰথম শ্ৰেণীৰ শিক্ষাৰ্থী জনাৰ্দন ভূঞা আৰু পলাশী ভূমিজে ঝুমুৰ গীত, চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ বৈকুণ্ঠ ভূঞাই কবিতা আবৃত্তি কৰে। মহাবিদ্যালয়খনৰ চতুৰ্থ আৰু ষষ্ঠ ষাণ্মাসিকৰ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনি আঁতধৰে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা সম্প্ৰসাৰণ কাৰ্যক্ৰম কোষৰ সমন্বয়ক ড° জয়ন্ত পাঠকে। কৰ্মশালাখনিয়ে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰা বুলি জানিবলৈ দিয়ে।

# কেবিনেটত প্ৰস্তাৱিত তিনিচুকীয়া দক্ষতা বিকাশ বিশ্ববিদ্যালয় ডুমডুমাত স্থাপনৰ অনুৰোধ ডুমডুমা প্ৰেছ ক্লাবৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৯ মাৰ্চঃ** অসম চৰকাৰৰ শেহতীয়া কেবিনেট বৈঠকত তিনিচুকীয়া জিলাত এখন দক্ষতা বিকাশ বিশ্ববিদ্যালয় স্থাপনৰ বাবে লোৱা সিদ্ধান্তক ডুমডুমা প্ৰেছ ক্লাবে আদৰণি জনাই উক্ত প্ৰস্তাৱিত বিশ্ববিদ্যালয়খন ডুমডুমাত প্ৰতিষ্ঠা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে। আজি ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তৰ নেতৃত্বত ক্লাবৰ এটা সঁজাতি দলে ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাছৰিনক সাক্ষাৎ কৰি তেখেতৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ অনুৰোধ জনাই এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। দলটিয়ে লগতে আয়ুক্তগৰাকীক ডুমডুমাৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবী সম্বলিত এক স্মাৰক-পত্ৰও প্ৰদান কৰে। দাবীসমূহৰ অন্যতম হ'ল-- ডুমডুমা নগৰৰ পুৰণি এ টি ৰোডৰ কুমাৰীপট্টি আৰু হানচৰা সংযোগী ডুমডুমা-ডিব্ৰু নৈৰ ওপৰত অৰ্ধনিৰ্মিত অৱস্থাত থকা দলংখনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰা, ডুমডুমা নগৰৰ পদপথসমূহ বেদখল মুক্ত কৰি জনসাধাৰণৰ সুচল চলাচলৰ বাবে মুকলি কৰি দিয়া, ডুমডুমা নগৰ খেলপথাৰত এটি ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু পুথিভঁৰাল আৰু এটি ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা কৰা, ডুমডুমাৰ নগৰ পানী যোগান আঁচনিখন কাৰ্যক্ষম কৰি তোলা, ডুমডুমাৰ ত্ৰিশখন বিচনাযুক্ত এফ আৰ ইউ হাস্পতালখন এশখন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা, ডুমডুমা নগৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত পাইপযোগে ৰন্ধন গেছ যোগানৰ ব্যৱস্থা কৰা, মাকুমৰপৰা তালাপলৈ পূৰ্বৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথছোৱা শীঘ্ৰে মেৰামতি কৰা, ডুমডুমা নগৰৰ যান-জঁটৰ সমস্যা সমাধানৰ বাবে কাৰ্যকৰী ব্যৱস্থা লোৱা, সকলো বেচৰকাৰী বাছ আৰু ব্যৱসায়িক যান-বাহনসমূহ ডুমডুমা নগৰৰ বেচৰকাৰী বাছ আস্থানৰপৰা চলাচল কৰোৱাৰ ব্যৱস্থা কৰা ইত্যাদি। সমজিলা আয়ুক্তগৰাকীয়ে সঁজাতি দলটোৰ সৈতে এক সৌহাৰ্যপূৰ্ণ আলোচনাত মিলিত হৈ আশ্বাস প্ৰদান কৰে।

# অৰুণোদয়ত নাম অন্তৰ্ভুক্তিৰ নামত বালাজানত ধন সংগ্ৰহ

ই-সংবাদ, গোলকগঞ্জ, ১৯ মাৰ্চঃ ধুবুৰী জিলাৰ বালাজান গাঁও পঞ্চায়তৰ অন্তৰ্গত বতুৰাতলি গাঁৱৰ একাংশ লোকে অৰুণোদয় আঁচনিৰ নামত ধন সংগ্ৰহ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। ধন দিয়াৰ পিছতো আঁচনিৰ পৰা বঞ্চিত হোৱা মহিলাই আজি গাঁওখনৰ তিনি মধ্যভোগীৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অসম চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা মহিলাসকলৰ বাবে অৰুণোদয় নামৰ এখন অভিলাষী আঁচনি গ্ৰহণ কৰে। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে গাঁৱৰ একাংশ মধ্যভোগী দালালে। গাঁৱৰ হোজা দৰিদ্ৰ ৰাইজক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ প্ৰলোভন দি ব্যাপক হাৰত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, গাঁওখনৰ প্ৰয়াত তমিজ উদ্দিন সৰকাৰৰ পুত্ৰ আবুল কালাম সৰকাৰ, আয়নাল হকৰ পুত্ৰ হাসানুৰ আলম আৰু মজিবৰ ৰহমানৰ কন্যা ৰূপালী খাতুনে নিজকে এআইডিইউএফৰ নেতা আৰু অৰুণোদয় আঁচনিৰ বাছনি সমিতিৰ সভাপতি সদস্য বুলি পৰিচয় দি তালিকাত অন্তৰ্ভুক্ত কৰাৰ নামত গাঁওখনৰ মহিলাসকলৰ পৰা পাঁচ হাজাৰকৈ টকা দাবী কৰে। গাঁওখনৰ বহু মহিলাই পাঁচ হাজাৰ দিব নোৱাৰি এক হাজাৰ, দুই হাজাৰ, তিনি হাজাৰ যিয়ে যিমান পাৰে মজুৰি কৰি, বস্তু সামগ্ৰী বিক্ৰী কৰি জমা দিয়ে। আনকি তালিকাত নাম অহাৰ পিছত তেওঁলোকে বাকী ধন পৰিশোধ কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। কিন্তু কালি তালিকা প্ৰকাশ পোৱাৰ পিছতে একাংশ মহিলা ক্ষুব্ধ হৈ পৰে। দুই-তিনি হাজাৰ টকা অগ্ৰিম দিয়াৰ পিছতো নাম প্ৰকাশ নোপোৱাত কালি একাংশ মহিলা মূল মধ্যভোগী আবুল কালাম সৰকাৰক বিচাৰি গৈ বালাজান গাঁও পঞ্চায়তৰ কাৰ্যালয়ত সাক্ষাৎ কৰে। ধন দিয়াৰ পিছতো তালিকাত নাম নহাৰ কাৰণ জানিবলৈ বিচৰাত আবুল কালামে খঙত অগ্নিশৰ্মা হৈ ৰাজহুৱা স্থানতে অশ্লীল ভাষাত মহিলাসকলক গালি-গালাজ কৰাৰ লগতে শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈ চেঁচা লয়। স্থানীয় ৰাইজৰ হস্তক্ষেপত মহিলাসকল আক্ৰমণৰ পৰা ৰক্ষা পৰে। আজি উপায়ন্তৰ হৈ গাঁওখনৰ মমতাজ বিবি, আলেয়া বিবি, আজিমা বিবি, মজিয়া বিবি, তাৰা বিবিকে ধৰি ষাঠিগৰাকী মহিলাই ধন সংগ্ৰহকাৰী আবুল কালাম সৰকাৰ, হাসানুৰ আলম আৰু ৰূপালী খাতুনৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। ৰাজ্যৰ শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ অভিলাষী আঁচনিৰ নামত গৌৰীপুৰ সমষ্টিৰ এআইডিইউএফৰ নেতাই ধন সংগ্ৰহ কৰা কাৰ্যৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# বেতবাৰীস্থিত শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান

**ই-সংবাদ, শিৱসাগৰ, ১৯ মাৰ্চঃ** ২০০০ চনৰে পৰা জ্ঞান আৰু শিক্ষাৰ পোহৰ বিলাই অনেকজনক মানুহ কৰি তোলা অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন, বেতবাৰীয়ে ২৫ টা বৰ্ষ সম্পন্ন কৰিলে। এই উপলক্ষে আজিৰে পৰা শংকৰদেৱ শিশু নিকেতন, বেতবাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হৈছে ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান। আজি পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে নিকেতনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলে গছপুলি ৰোপন কৰে। অনুষ্ঠানৰ আঁত ধৰে সমাজকৰ্মী প্ৰবীণ চেতিয়াই। বন্তি প্ৰজ্বলনৰ পিছতে ২৫ খন পতাকা উত্তোলন কৰা হয়। উদযাপন সমিতিৰ পতাকা সভাপতি ঘন গগৈয়ে আৰু নিকেতনৰ পতাকা উত্তোলন কৰে প্ৰধান আচাৰ্য জগত শ্যামে। ইয়াৰ উপৰিও লেখন চাংমাই, ভুবন গগৈ, মনোজ বৰুৱা, বিৰিঞ্চি বুঢ়াগোঁহাই, অচ্যুতানন্দ গগৈ, পুতুল চাংমাই, নৱ কোঁৱৰ, চন্দ্ৰ চাহু, ববিতা গগৈ কোঁৱৰ, অৰুণ চেতিয়া, প্ৰমোদ শইকীয়া, বিদ্যাধৰ বৰুৱাসহ বিশিষ্ট শিক্ষাবিদ, সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ২৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে ২৫ খন পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে বিদ্যালয়খনৰ আচাৰ্য তথা বিশিষ্ট শিল্পী , প্ৰশিক্ষক মন্টু কাকতীৰ নেতৃত্বত নিকেতনৰ আচাৰ্য-



আচাৰ্যাসকলে এটি শ্ৰুতি মধুৰ সমবেত সংগীত পৰিৱেশন কৰে। নিকেতনৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত যুগ কোঁৱৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন তথা স্মৃতি তৰ্পন কৰে শিক্ষাবিদ ড° ক্ষীৰোদ গগৈয়ে। বন্তি প্ৰজ্বলন কৰি ড° ক্ষীৰোদ গগৈয়ে বেতবাৰী শংকৰদেৱ শিশু নিকেতনে যোৱা ২৫ বছৰে ছাত্ৰ-ছাত্ৰীসকলক সঠিক শিক্ষা প্ৰদানেৰে সমাজৰ সম্পদ ৰূপে গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলি শলাগ জনায়। তেওঁ লগতে শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাৰ আঁৰত থকা ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা গ্ৰন্থ বিপনী আৰু প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে কৃতি শিক্ষয়িত্ৰী সত্যপ্ৰভা গগৈ বুঢ়াগোঁহাইয়ে। বিয়লি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু আচাৰ্য-আচাৰ্যাসকলৰ মিজত অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। শিৱসাগৰ ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° শিৱ প্ৰসাদ মিলি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত অতীত ৰোমন্থন কৰি আৱেগিক হৈ পৰে বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। ছাত্ৰ-ছাত্ৰীসকলৰ বাৰেচহৰীয়া বিচিত্ৰানুষ্ঠানৰ পিছতে নিকেতনৰ চৌহদত বন্তি প্ৰজ্বলন কৰা হয়। সন্ধিয়া ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে ডিমৌ খণ্ড পশু চিকিৎসা বিষয়া শান্তনু চাংমাইয়ে।

## লোহাজানীত গো-মাংস কঢ়িওৱা দুখন বাইক জব্দ, সৰবৰাহকাৰীৰ পলায়ন

**ই-সংবাদ, গোলকগঞ্জ, ১৯ মাৰ্চঃ** ধুবুৰী জিলাত বৃদ্ধি পাইছে নিষিদ্ধ গো-মাংসৰ অবৈধ বেহা। আজি পুৱা লোহাজানীত দুখন সন্দেহজনক গো-মাংস কঢ়িওৱা দুচকীয়া বাহন উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নিতৌ বাইক আৰু স্কুটিৰে নিষিদ্ধ গো-মাংস পশ্চিমবংগৰ পৰা হালাকুৰা আৰক্ষী তালাচী চকী এলেকাৰে অবৈধভাৱে প্ৰৱেশ কৰি লোহাজানীত গংগাধৰ নদী পাৰ হৈ তামাৰহাটেৰে গৌৰীপুৰ ধুবুৰীৰ বিভিন্ন স্থানত যোগান ধৰে। আজি স্থানীয় ৰাইজে AS-17 Q-1914 নম্বৰৰ এখন স্কুটি আৰু AS-17 N-3925 নম্বৰৰ এখন পালছাৰ বাইক জব্দ কৰি হালাকুৰা আৰক্ষী তালাচী চকীক খবৰ দিয়ে। আৰক্ষী গৈ পোৱাত পলম হোৱাৰ সুযোগ লৈ সৰবৰাহকাৰীয়ে বাহন এৰি পলায়ন কৰে। আৰক্ষীয়ে বাহন দুখনৰ লগতে সন্দেহজনক গো-মাংস উদ্ধাৰ কৰি আৰক্ষী চকীলৈ নিয়ে।

## পাথৰিঘাটত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, দুনী, ১৯ মাৰ্চঃ** দৰঙৰ পাথৰিঘাটত এটি অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। ঐতিহাসিক পাথৰিঘাটৰ পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত উদ্ধাৰ হয় মৃতদেহটো। এখন দোকানৰ সন্মুখত মৃতদেহটো প্ৰত্যক্ষ কৰে স্থানীয় লোকে। স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত পাথৰিঘাট আৰক্ষী উপস্থিত হয়। ইয়াৰ পাছতে দৰঙৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হৈ আৰম্ভ কৰে প্ৰাথমিক তদন্ত। ঘটনাস্থলীৰ ওচৰতে এখন দোকানত থকা চিচিটিভি কেমেৰা পৰীক্ষা কৰে আৰক্ষীয়ে। যুৱকজন এটা দুমহলীয়া বিল্ডিঙৰ চাদত উঠা আৰু তলত পৰাৰ দৃশ্য আৱদ্ধ হৈছে চিচিটিভি কেমেৰাত। যুৱকজনৰ বিল্ডিঙৰ পৰা পৰি মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। ঘটনা সম্পৰ্কে দৰং আৰক্ষীৰ তদন্ত অব্যাহত আছে আৰু তদন্তৰ অন্ততহে জানিব পৰা যাব মৃত্যুৰ প্ৰকৃত কাৰণ।

## ডিব্ৰুগড়ত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ধৃত এজন

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ মাৰ্চঃ** ডিব্ৰুগড়ত পুনৰ ড্ৰাগছসহ আটক এজন সৰবৰাহকাৰী ব্যৱসায়ী। ডিব্ৰুগড়ৰৰ পৰিদৰ্শক প্ৰদীপ বৰাৰ নেতৃত্বত এটা আৰক্ষীৰ দলে গোপন সূত্ৰৰ পমখেদি ডিব্ৰুগড়ৰ পুৰণি ৰে'ল ষ্টেচনৰ সন্মুখৰ হৰিজন ক'লনিৰ পৰা আৰক্ষীয়ে জব্দ কৰে বৃহৎ পৰিমাণৰ ড্ৰাগছ। চুমিত নাহা নামৰ এজনক আটক কৰাৰ লগতে জব্দ কৰে বৃহৎ পৰিমাণৰ ড্ৰাগছ। উল্লেখ্য যে এই অঞ্চলৰ পৰা আৰক্ষীয়ে ইতিমধ্যে কেইবাৰো ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিছে যদিও ড্ৰাগছৰ প্ৰচলন সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাই, যাৰ বাবে এই অসাধু ব্যৱসায়ীয়ে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে। সচেতন ৰাইজে প্ৰশাসনক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## গুৱাহাটী, নগাঁৱৰ জয়

# নগাঁৱত টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৯ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু অসম ক্ৰিকেট সন্থাৰ অধীনত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। গুৱাহাটী, বোকাখাট, হোজাই আৰু ঘৰুৱা নগাঁও জিলা মহিলা ক্ৰিকেট দলে ভাগ লোৱা এই প্ৰতিযোগিতাৰ আজিৰ খেলত গুৱাহাটীয়ে বোকাখাটক দহ উইকেটত আৰু নগাঁৱে হোজাই জিলা দলক ছয় উইকেটত পৰাজিত কৰে। ইয়াৰে, বিয়লিৰ খেলখনত হোজাই দলে ঋতিকা মালাকাৰৰ-১৯, দীপাঞ্জলি চাহুৰ-১৪, মানসী ভাৱালৰ অপৰাজিত-১২ আৰু ৰাণী মালাকাৰৰ-১০ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৯৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত নগাঁৱৰহৈ দীশাণি ভৌমিক আৰু দীপশিখা বৰদলৈয়ে দুটাকৈ তথা ৰূপশিকা টেৰণপীয়ে এটা উইকেট পায়। প্ৰত্যুত্তৰত নগাঁও দলটোৱে ভাগ্যশ্ৰী কাশ্যপৰ অপৰাজিত-২৬ আৰু দিব্যাৰাণী বৰাৰ-১৫ ৰাণৰ উল্লেখনীয় অৱদানৰে ১৬.১ অভাৰত চাৰিটা উইকেটৰ বিনিময়তে ৯৭ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্যত উপনীত হয়। বলিঙত হোজাই দলৰহৈ দীপাঞ্জলি চাহুৱে দুটা, অধিনায়িকা ঋতিকা মালাকাৰ আৰু কৌশল্যা চাহুৱে এটাকৈ উইকেট দখল কৰে। ইপিনে, আজি পুৱা এই প্ৰতিযোগিতা নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শুভাৰম্ভণি অনুষ্ঠানৰ মুখ্য অতিথি তথা বিধায়ক ৰূপক শৰ্মাৰ উপৰি বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা, সাংগঠনিক সমিতিৰ সভাপতি তথা প্ৰাক্তন খেলুৱৈ নৱনীতা শৰ্মা, ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, উজ্জল বৰুৱা, দেৱজিৎ দাস, মৃনাল কুমাৰ হাজৰিকা, প্ৰাক্তন খেলুৱৈ ৰুণুমী কটকী, ৰীতা বৈদ্য কাকতি, মালামণি বৰুৱা, মালবিকা বৰুৱা, অচিন্ত্য দাস আদি উপস্থিত থাকি খেলুৱৈসকলৰ সৈতে পৰিচয় হয়। সেই অনুষ্ঠানতে প্ৰশিক্ষক জয়শ্ৰী দেৱী দাস (নগাঁও), ৰাজা ৰহমান (বোকাখাট), পাপৰী গগৈ (গুৱাহাটী) আৰু কংকন দাস (হোজাই)ক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, পুৱাৰ খেলৰ প্লেয়াৰ অব দ্যা মেচ গুৱাহাটীৰ স্নেহা সিনহাক মিনু আলমে আৰু বিয়লিৰ খেলৰ প্লেয়াৰ অব দ্যা মেচৰ বঁটা নগাঁৱৰ দীশাণি ভৌমিকক ৰুণুমী কটকীয়ে বিতৰণ কৰে।



নগাৱত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খেলৰ প্ৰাকমুহূৰ্তৰ এক দৃশ্য

## আইপিএলৰ দুখনকৈ ৰোমাঞ্চকৰ মেচক লৈ গুৱাহাটীত উন্মাদনা

# ক্ৰিকেটানুৰাগীৰ বাবে অফলাইন টিকট বিক্ৰী আৰম্ভ ৰাজস্থান ৰয়েলছৰ

**গুৱাহাটী, ১৯ মাৰ্চঃ** সমগ্ৰ দেশৰ লগতে ক্ৰিকেটৰ জ্বৰত আক্ৰান্ত হৈছে গুৱাহাটীও। গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া আইপিএলৰ দুখনকৈ ৰোমাঞ্চকৰ খেলৰ বাবে এতিয়া বিয়পি পৰিছে ব্যাপক উন্মাদনা। গুৱাহাটীৰ এচিএ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা দুখন আইপিএল মেচৰ অফলাইন টিকট বিক্ৰী মঙলবাৰৰ পৰা আৰম্ভ হৈছে। ৰাজস্থান ৰয়েলছে গুৱাহাটীৰ ক্ৰিকেটপ্ৰেমীৰ বাবে বিশেষ টিকট কাউণ্টাৰ মুকলি কৰিছে। ২৩ মাৰ্চৰ দিনটোক বাদ দি উভয় মেচৰ টিকট জমা থকালৈকে এই কাউণ্টাৰ মুকলি থাকিব। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা টিকট বিক্ৰী কৰা হ'ব। উল্লেখ্য যে, প্ৰথমতে কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবে এই টিকট কাউণ্টাৰ মুকলি কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু অনলাইনত টিকট ক্ৰয় কৰাত অসুবিধা পোৱা ক্ৰীড়াপ্ৰেমীৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই ৰাজস্থান ৰয়েলছে ছাত্ৰ-ছাত্ৰীৰ বিশেষ টিকটৰ লগতে সাধাৰণ দৰ্শকৰ বাবেও টিকট বিক্ৰীৰ ব্যৱস্থা কৰিছে। মঙলবাৰৰ পৰা সকলোৱে গুৱাহাটীৰ উভয় মেচৰ টিকট এই কাউণ্টাৰৰ পৰা ক্ৰয় কৰিব পাৰিব। প্ৰথমদিনাই পুৱতি নিশাৰ পৰাই টিকট ক্ৰয়ৰ বাবে কাউণ্টাৰত অনুৰাগীয়ে ভিৰ কৰিছে। কাউণ্টাৰত প্ৰত্যেকক এটাকৈ টিকট দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীয়ে স্কুলৰ সঠিক প্ৰমাণ পত্ৰ দেখুৱাই পাঁচশ টকাত ক্ৰয় কৰিব পাৰে টিকট। উল্লেখ্য যে, ৰাজস্থান ৰয়েলছ একমাত্ৰ আইপি ল দল যিয়ে ছাত্ৰ-ছাত্ৰীক কম মূল্যত বিশেষ টিকট দিয়াৰ ব্যৱস্থা কৰিছে। দলে গুৱাহাটীৰ লগতে জয়পুৰত খেলিব লগা আটাইকেইখন গৃহ মেচতে ছাত্ৰ-ছাত্ৰীক বিশেষ টিকট দিয়াৰ ব্যৱস্থা কৰিছে। শিক্ষাৰ্থীয়ে ২৬ মাৰ্চত অনুষ্ঠিত হ'বলগা ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজৰ মেচৰ লগতে ৩০ মাৰ্চত হ'বলগা ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছৰ মাজৰ দ্বিতীয়খন আই পি এল মেচৰো টিকট ক্ৰয় কৰিব পাৰিব। ইফালে, সাধাৰণ দৰ্শকে টিকট কাউণ্টাৰত ২৪০০ টকা মূল্যৰ টিকট ল'ব পাৰিব। অন্য মূল্যৰ টিকট অনলাইনত বুক মাই শ্ব'ত ক্ৰয় কৰিব লাগিব। ৩০ মাৰ্চৰ চিএছকে আৰু আৰআৰ দলৰ মেচখনৰ অন্তিম পৰ্যায়ৰ টিকট বুক মাই শ্ব'ত মুকলি কৰা হৈছে।






**newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি**